# অচিনা

( কালান্তৰৰ কবি অমূল্য বৰুৱাৰ একমাত্ৰ কবিতা সংকলন )

অমূল্য বৰুৱা

# অচিনা

অমূল্য বৰুৱা



অমূল্য বৰুৱা

১৯২২ – ১৯৪৬

# অৰূপ অচিনা

অচিনা কোনহে তুমি?
অৰূপ ৰূপৰ সুৱদি সখী
মধু মনোমোহা মিলন বিচাৰি
        উৰোৱা মনৰে পাখি;
মৰণৰ সুখ ৰেখা
জীৱনে নমনা নুবুজা কৰি
নিমাতী সপোনৰ বুকুতে ফুৰেহি
        মিলনৰ সুৰভি উৰি;
জীৱনৰ যত শত
দুখ বিৰহৰ বেদনা আছে
আপোন পাহৰি অচিন পথৰ
        যায় উৰি পাচে পাচে
কোনহে তুমি?
অৰূপ হাঁহি
ৰূপৰ পাহি
উঠিছা ভাঁহি।

# বন্দনা

জনম মৰণ আৰু এই ভালপোৱা
সকাম সৰগী দূতে কাণে কাণে কয়
ধৰণীত আচে যত মানৱ দেৱতা
মুক্ত সেই ধূলি পথ ধূলিৰেই জয়
আজিৰ নহয় তেওঁ শত যুগ ধৰি
সুখৰ অমিয়া ধাৰা দিলে উটুৱাই
আবেগ জুমুৰি ল'ই আধাফুটা কথা
প্ৰাণে প্ৰাণে অততীৰ সুখ সোঁৱৰাই।
গান তুমি প্ৰাণ ভৰি ভাল পোৱা দেই
ঘিণ তুমি মুঠে নকৰিবা
সৃষ্টিৰ মুখত ফুটা গানৰ গৌৰৱ
আজি সোণ তুমি নুবুজিবা।
মেলি থোৱা মন্দিৰৰ দুৱাৰ মুখেদি
গ'ই তুমি দেৱতা নাপালে,
চৰণৰ চাব দেখি উলটি নাহিবা
মন কৰি কুসুম পাহিলে।
দেৱতাই কোনো দিনে ভুল কৰা নাই
কুসুমৰ কোমল সপোন
মানৱ দেৱতা বুলি নিজৰ মাজত

বিচাৰিলে দেখিবা আপোন।
তাতো যদি একো তুমি নতুন নেদেখা
পুৰণিৰে পাতিবাচো কথা
নতুনক সোঁৱৰাই পুৰণি আহিব
নুবুজাৰ ক'ত শত ব্যথা।
নিবিচাৰি জগতৰ সাধনা সম্বল
বিবেকৰ ভৰিটি বুলোৱা
সময়ৰ বালিচৰ পাৰ হৈ যক
জীৱনৰ শীতল অমিয়া
ঢউ উটি মাৰ যায় সাগৰ পাৰত
সময়ে নুবুজে দেখি চিন তাৰ নাই
তুমি মই আছোঁ আজি এই ধৰণীত
কালিলৈ নাথাকিলে একোৱেই নাই
ধৰণীৰ মানৱৰ বুকুৰ বিচাৰ
মানুহেই হিয়াত নাপালে
জোনোৱালী শৰতৰ ফুলাম ৰাতিত
কিনো হব কালিমা দেখিলে
মই নাই তুমি কিনো মোৰেই নিচিনা
জগৰৰ কিমান আপোন
আছে তুমি যোৱা সোণ সেই বাটেদিয়ে
মিলনৰ নালাগে সপোন।

ধৰণীৰ প্ৰায়শ্চিত্ত মানুহেই কৰিব
জগতত তাৰ আগে আগে
মানুহক মানুহৰ আপোন বুলিলে
সেয়ে হব অধিক নালাগে।।

# পদুমৰ অভিযান

অসুখীয়া মনে মোৰ
অসুখৰে ভাৰ বই
অসুখৰ সাধনাকে সাধি
নিজৰ অসুখ বুলি
পৰকো অসুখী কৰি
দুঃখ দিয়ে জীৱন অৱধি।
অসুখৰে খেলা খেলি
জীৱনৰ আধা বেলি
মিছাকৈয়ে দিলো উটুৱাই;
সুখৰ বসুধা খনি
দুখৰ আন্ধাৰে ঢাকি
আন্ধাৰতে গলো ভটীয়াই।
বহুদূৰ বাট বুলি
ভাগৰৰ বেমেজালি
বেদনাৰে বোজা বান্ধি লই;
নিৰাশ দুপৰ নিশা
পালক পালিকা তৰি
নাওখনি মেলি দিলো মই।
লক্ষ্যহীন তৰণীৰ

গতিহীন নিৰৱতা
ভেদকৰি গলোঁ বহুদূৰ
নিজান নিমাত হায়
জীৱন সাগৰ পাৰ
এতিয়াও পৰা নাই ওৰ।
ধীৰে ধীৰে যাব মোৰ
বাধাহীন নাও খনি
দূৰ আৰু অতি দূৰলৈ;
ছিগি গ'ল আলজৰী
ফুটি য'ক নাও তলি
তথাপিও ভটীয়াম মই।
যেতিয়া শিকিম মই
ভাললগা কথাবোৰ
বতাহতে বৰষিম মই,
ভয়লগা সাগৰৰ
বিভীষিকা হৰষত
উটুৱাম কাটি শত ঢ'উ।
তেতিয়া কৰিম মই
দৰদী প্ৰিয়াক মোৰ
পৰাণৰ প্ৰিয়া বিনন্দীয়া
হাত পাতি খুজি লম

তথাপিও যত ফুল

মৰমৰ মালা গাঁথি দিয়া।।

# স্বৰূপ

বাস্তৱত দেখিলোঁ প্ৰিয়া হাৰা মই
সৰগৰ প্ৰেমৰ মন্দাকিনী ল'ই
　　মিছাতেই হায় আত্মহাৰা হই
　　বোৱালোঁ প্ৰেমৰ নই।

মিছা মিছা হায় জগতৰ মায়া
পাহৰিলোঁ মই আপোন কথা
　　প্ৰিয়া মাথোঁ মোৰ শুভ্ৰ ছায়া
　　নিৰৱ কোণৰ অকণি দয়া।

প্ৰেমৰ মদিৰা মৰণে চুমি
কাকনো মিছাতে ফুৰিলোঁ জুমি
　　কায়া ছায়া হীন
　　বিপুল বাসনা সেয়েহে তুমি।

তেতিয়াৰে কাৰ কেচুঁৱা অৰুণে
সেউজী বনত মাৰিলে আঁক
　　মোৰ হৃদয়ৰ দূৰ সীমনাত
　　আজিওতো আছে সোণালী দাগ।।

# সুন্দৰৰ সুখ

কোনেনো বজালে বাঁহীটি কালি
সুৰ সুষমাৰ লহৰ তুলি
হিয়াই হিয়াই মিলি জুলি
গোপন পৰত ঐ।
কোনো কাহানিৰ আবেগ ভৰা
অভিমানত সপোন সৰা
কোন প্ৰাণৰ সমল হৰা
সুৰ চানেকী লই।
বুকুৰ ব্যথা বুকুৰ কথা
মনে প্ৰাণে সুৰে গঁঠা
কিবা এটি কিবা কথা
কাণে কাণে থই।
দুৰ্ৰীয়ে দুৱাৰ মুখত
আপোন ভুলা প্ৰাণৰ সুখত
কাৰনো বাৰু সুৰ শুনিলত
থমকি থমকি ৰ'ই।
কোন বলিয়াই বজায় বাঁহী
ভবা কথা বুকুত ভাঁহি
হিয়া ভৰি হাঁহি হাঁহি

মৰম কণা লয়।

নিজেই হাঁহি বজায় বাঁহী
নিজৰ প্ৰাণত নিজেই ভাঁহি
কঁপাই কঁপাই ওঁঠৰ পাহি
নিজেই নিজৰ প্ৰাণ।

মিছাকৈয়ে লোকক সোধে
কোনে জানে? কোনে বুজে?
প্ৰাণৰ সুৰ প্ৰাণক সুজে
কৰি অভিমান।

কোনে বুজে কিয় বাজে
মনে প্ৰাণে কিয় ৰাজে
মিলি জুলি সুৰে সাজে
আলোক সোণাই প্ৰাণ।

কোনে বুজে কিয় আনে
সুখৰ সপোন প্ৰাণে প্ৰাণে
কদম তলৰ কাণে কাণে
মোহন বাঁহীৰ তান।

সপোন জালত মনে মনে
ঘূৰি ফুৰোঁ বনে বনে
কিয় জানো ঘনে ঘনে
মুখত ফুটে গান।

বুকুত চপাই ফুলৰ কলি
ওঁঠে চুমাই পৰি ঢলি
হেঁপাহ পুৰাই মনৰ অলি
          সুখৰ অভিমান।
আৰু কিবা লগে লগে
হিয়াখনি ভাগে ভাগে
কোনে বুজে আগে আগে
          কিনো লৰি যায়।
সোণৰ হৰিণ ডিঙি ভাঙি
চকু যুৰি দাঙি দাঙি
মনত কিনো কথা পাতি
          ঘূৰি ঘূৰি চায়।
ৰামে সীতাই কথা পাতে
কাণে কাণে বাটে-ঘাটে
ফুলে ফুলে জানে জানে
          ফুটে কিহৰ মাত।
সপোন ভাঙি সপোন ৰচে
চকুৰ পানী কিয় মচে
পাতে পাতে গছে গছে
          কিনো সুৰৰ জাত।
চিত্ৰলেখাই ছবি আঁকে

লিখনিয়ে পাকে পাকে
প্ৰেমৰ মোহন ৰহণ বাকে
বুকুত লগাই বোল।
কোনে জানে সোণৰ ছবি
কেতিয়াকে পূৰা হবি
উষাই তাকে ভাবি ভাবি
ফুলাই আশাৰ ফুল।
পদুম পাতত ছবি আঁকি
গোপন হিয়াৰ সপোন চাকি
চকুৰ পানী কোনে বাকী
দিয়ে হিয়া দান।
চালি ধৰ ম'ৰা পখী
ক'ত কিনো কলে সখী
অকলশৰে বহি বহি
কিয় জানো নিজে নিজে
ললে অভিশাপ।
তাহানিৰ আঙুঠিটি
মনৰ কথা আছিল সিটি
সিও গল কেনি উটি
কিনো জানো পাপ।
সোঁতে সোঁতে উটি উটি

গুচি গলে হিয়া দুটি
কত কথা মনত ৰাখি
আনিম বুলি প্ৰাণ।
ক'ত কথা ললে সুধি
পিছে পিছে সাজি বুদ্ধি
আৰু মাথো এটি বাকী
প্ৰাণক প্ৰাণৰ দান।
সপোন দেখি সপোন লেখি
সুৰে সুৰে ময়ো সখী
মেলি দিলো মৰম পাখী
কিবা এটি পাম।
কিয় জানো নিঠুৰ বেলা
আশাৰ শেষৰ খেলা
মনে মনে পাহি মেলা
কিনো আজি চাম।
কোনে জানো ভাঙি সপোন
খুলি দিলে হিয়াৰ দাপোণ
মৰম সনা ছবি আপোন
অকণি হিয়াৰ দান।
তুমি সখী নহয় তুমি
ময়ো কিবা চুমা চুমি

কিহৰ জানো জুমা জুমি

হায়! কান্দি উঠে প্ৰাণ।।

# হিয়াৰ বাতৰি

কোন শৰতৰ সুধাকৰ আহি
জোনালী যামিনী সোণালী কৰি
আকুল প্ৰাণৰ চেতনা হৰিলে
মোহন বাঁহীৰ মৃদুল সুৰে
কোন অতীতৰ বাতৰি দিলে?

নিছিগা বীণাৰ ছিগি গ'ল তাঁৰ
সুৰৰ কঁপনি হ'ল আজি সাৰ
কিনো বিৰহত চাটি ফুটি কৈ
দুগালে দুচকু চকুলো বই
কিহৰ বেদনা বুকুত সামৰি
মৰম বিচাৰি বিলালোঁ বাতৰি

সৌ আকাশ কলীয়া মেঘত
গৰজি উঠিল বলিয়া বজ্ৰ
কোমল তানৰ সমল হৰিলে
চকা মকা হায় বিজুলী লতাই
কোন অতীতৰ বাতৰি দিলে?

এনেকুৱা ক'ত মোহন দিনত
ৰচিলোঁ সপোন মিলন সুখত
গোঁজৰণি হ'ল বলিয়া দুৱৰী
বসুধা কঁপাই জনালে বাতৰি
"দুখনি হিয়াৰ সমল বিচাৰি
বিজুলী লতাত দিলেহি আঁৰি ।"

এই শৰতৰ জোনালী যামিনী
দুগালে দুচকু লোতক বোৱাই
অভিমানী মোৰ প্ৰিয়া আৰু নাই
ভাগি যোৱা মোৰ হিয়া ফুলনিত
থন ধৰি ফুল নুফুলে দুনাই

বসুধা শুৱনি ধুনীয়া ফুলনি
সেয়ে আজি মোৰ ভাল লগা নাই ।
সেয়েহে হিয়াই বেদনা ভৰাই
কান্দিছে ইমান ইনাই বিনাই
সেয়ে মেলি দিছোঁ হিয়াৰ দাপোণ
দেখো বুলি হায় মধুৰ সপোন ।
তাহানি খনৰ দূৰ অতীতৰ
শাৰদী নিশাৰ সপোন পুৰৰ ।

ভৰ বাৰিষাৰ গোজৰণি মৰা
‘কলীয়া মেঘৰ’ চকুলো ধাৰা
সেয়েহে ইমান লাগিছে মধুৰ
মিলন সুৰৰ মাধুৰী ভৰা
প্ৰেম পীৰিতিত প্ৰথম ধৰা ।

বসুধা কঁপাই গোজৰণি মৰা
ভাল লাগে মোৰ সেই তেনে বেলা
মিলন নিশাৰ মাধুৰীৰে ভৰা
সেয়েহে পাতিছোঁ বিজুলীৰে খেলা
মোৰ সুখবোৰ দুখৰ লগত
সেয়েহে ইমান আদৰেৰে জগা
বিপদ বিঘিনি ভয় আপদৰ
সেয়েহে ইমান নলে-গলে লগা ।

শত বসুধাৰ যত আছে দুখ
মোৰ হলে সিয়ে সৰগৰ সুখ
মাধবী নিশাৰ মধুৰ সপোন
হিয়াৰো হিয়াৰ অতিকে আপোন

শত বসুধাৰ য'ত আছে সুখ
মোৰ হলে সিয়ে নৰকৰ দুখ
আন্ধাৰ নিশাৰ দুখৰ সপোন
নিৰাশ প্ৰাণত নিশাৰ দাপোণ ।।

জুলাই ১৯৪০

# বুজা ভুল

তুমিতো নাহিলা আৰু
প্ৰাণৰ কথাটি প্ৰাণতে লুকাই
কম কম বুলি কিয় বাট চাই
মিছাতে মৰিছোঁ বাৰু?

তেতিয়া বুলিলা যাম
শেষৰ বেলিকা নাহিলা যেতিয়া
আৰুনো সখীটি আহিবা কেতিয়া
ক'ত বাৰু বাট চাম?

আহে আৰু যায় দিন,
মোৰ সুখৰ দুখৰ নিজৰা ব'ই
ব্যৰ্থ আশাৰ বতৰা ক'ই
কতনো লুকাল চিন?

এতিয়া আছেনে ভৰি
তাহানিখনৰ স্মৃতিৰ ফুল
হিয়াৰ কতনা নভগা ভুল
মিছা অভিমান কৰ?

আজিতো নতুন তুমি?
যোৱা কথা গ'ল নালগে দুনাই
হিয়া ভুকুৱাই কান্দিব শুনাই

বেদনা জ্বলিব উৰ্মি!

ঘিণ কৰা নেকি মোক?
ভয়কৰা নেকি চুমাৰ পৰশ
আকুল হিয়াৰ বিপুল হৰষ?
বুজিছোঁ তোমাৰ শোক ।

মিছাতে কৰিছা ভয়
দুটি হিয়া যদি এটি হ'ই যায়
আন এটি আৰু নালাগে দুনাই
তাকেতো বুজিছোঁ মই ।

দুটি মাথোঁ সখী অভিন্ন হৃদয়
জগত চানেকি তুমি আৰু মই
অভিমান কৰি নাথাকা মিছাতে
চকুৰ আঁতৰ হই।

আহাচো দুনাই সোণ !
নালাগে সুধিব কোন?
হিয়াৰ মাজত তোমাৰ হিয়াই
জ্বলিব পূৰ্ণিমাৰ জোন ।।

১৯৪০

# “ভুলৰ কাৰণে মাথো সৃষ্টি বিধাতাৰ”

বিচলিত হবা জানো নোহোৱাতো তুমি?
ধনৰ দৌলত দেখি ধনেৰে হেতালি খেলি
 ধনকে ফুৰিলা চুমি
নিষ্পেষিত অনাহত বেদনাৰ বিৰাট হৰ্ম্য
 গঢ়ি তুলি ল’ই
কোন সিটি পথৰ ভিখাৰী, তোমাৰ কাষত,
 চিনি পোৱা নাই?
কিবা তাৰ গুপুত ৰহস্য কিনো জানো উদ্ঘাটন
 কৰি,
সংসাৰৰ এটি সুৰ এৰি সিটো সুৰে ফুৰিছে
 বাগৰি ।
বেদনাতে পুলকিত হ’ই বেদনাকে ধৰিছে
 সাবটি,
কোনে তাৰ ঘাত-প্ৰতিঘাত বুজে আজি অন্তৰে
 আবৰি ।
মাথো শত কটাক্ষ চাৱনি সনা তাতো ঘৃণা
 বিস্ফোৰণ
হায় মানৱৰো কৰ্কশ হৃদয়, নবই কাৰো ব্যথা মাথো
 কঠুৱা বচন

জহি যাব সংসাৰৰ এটি মাথোঁ লেৰেলা

কুসুম

তাৰ বাবে নুঠে কাৰো হিয়া ভেদি কৰুণ বিননি

এয়েনেকি সৃষ্টিৰ পাতনি?

এয়ে জানো সঁচা?

অনাদৰ অযত্নৰে গঢ়া নেকি দুখীয়াৰ দুখৰ জীৱন

নাই জানো একনিও সুখৰ সংসাৰ ।

মহা ভুল মানৱৰ

ভুল কাৰ? বিশ্ব ভুল তুমি, ভুলৰ কাৰণ মাথোঁ

সৃষ্টি বিধাতাৰ ।।

# শিল্পী

ৰূপ স্ৰষ্টা খনিকৰ
　　ক'ত তোৰ ৰূপৰ আঁচনি
　　　　সৌন্দৰ্য্যৰ মোহন আঁকৰ,
বিমোহিত চঞ্চলতা
　　জীৱনৰ উদ্দাম উচ্ছ্বাস
　　　　কল্পনাত ৰতন প্ৰাণৰ ।
আৰু ক'ত হৃদয়ৰ
　　কোমল বেদনা ৰাশি
　　　　ব্যৰ্থতাৰ ঘাত-প্ৰতিঘাত,
তৃপিতিৰ সন্ধানত
　　সানি মোহিনী আভা
　　　　জ্বলি উঠে প্ৰাণৰ প্ৰাণত ।
নিৰ্নিমেষ নয়নৰ
　　ৰূপহ চাৱনিখিনি
　　　　সৰলতা কোমলতা অঁৰা
ক'ত তোৰ পৰাণৰ
　　বিপুল বাসনা জিনি
　　　　সুকোমল লোতক নিজৰা ।
পাষাণৰ হৃদয়ত

কোমল সৌন্দৰ্য্য ৰাশি
জীৱনৰ প্ৰতিমূৰ্তি আঁকি,
হিয়াৰ ৰহণে তই
যাচিবি যিমানে হিয়া
বেদনাৰ কোমলতা বাকি ।
জীৱনৰ পৰিণতি
‘সুন্দৰৰ আৰাধনা’
ক’ত তোৰ সৃষ্টিৰ আয়োজন ।
মনৰ মাজৰ মাথোঁ
আশাৰ তুলিকা ডালি
তাৰে তই বোলাবি জীৱন ।।

# তোলৈ আৰু তেওঁলৈ

ভাবে যদি আলোড়ন তুলি
কবিতাৰ ৰুদ্ধ দ্বাৰ খুলি
কিবা কিবি পেলাই মনত
প্ৰণয়ৰ ছাঁ পৰি কোনোবা জনত
অজানিতে মিলি যায়
বুকুৰ বেদনা হায়
মধুময় কোনোবা ক্ষণত ।
ভাষা যদি ওলাই সবলে
বিভ্ৰতাৰ ধুমুহা নবলে
ভাবিম কতনো কথা ৰঙা বগা কলা
গাঁথি গাঁথি কবিতাৰ মালা ।
সুখৰ দুখৰ ক'ত
ৰচিম সপোন
বুকু ভৰি শিহৰণ তুলি
হৃদয়ৰ দুৱাৰ খুলি
আহিবা আহিবা বুলি
ক'ত বাট চাম ।
আন্ধাৰ পাটীত পৰি
মিছাকৈয়ে ভাবি ভাবি

সপোন লহৰি বুলি

ক’ত চুমা খাম ।

তেও যদি নপলায় আশা

বুকু ভৰি সাবটিম

জীৱন মৰণ দিম

তুমি বুলি বিশ্ব জুৰি

শুনিম প্ৰাণৰ তান

শিকিম তোমাৰ সেই মান অভিমান ।

তেও যদি আশাটি নুপুৰে

গুচি যাম অকলে অকলে

দূৰণিৰ দূৰ দেশলৈ

বুকু ভৰি আশাটিকে ল’ই

কিয় কিন্তু কবকে নোৱাৰোঁ

আশা কিনো বুজিব নোৱাৰোঁ

মাথো জানো ভাল পাওঁ মই

দুটি হিয়া একেলগে হ’ই

তাকো মাথো আঁতৰে আঁতৰে

একা-বেঁকা বিজুলী বাটেৰে

আশাটিকে আশা কৰি কৰি

ভাল পাম বুকু ভৰি ভৰি

তাকে লৈ জীৱনে মৰণে

গাঁথিম কবিতা মালা বিজয় কাননে !

আকুল পথিক

আকুল পথিক

কোন দূৰণিৰ

বাতৰি আনিছ তই,

হৃদয় মনৰ

আবেগ ভৰা

চেনেহ চাৱনি লৈ !

কোন দুখুনীৰ

উতলাবি প্ৰাণ

তুলিবি আনন্দৰ ঢ'উ,

ৰূপহ চাৱনি

দেখুৱাই তই

নিবিগৈ ফুলৰে ম'উ !

কোন পথিক

আবেগ ভৰা

সুৰটি বজাৱ তই,

আকুল মনত

আশা বিতৰাই

পেলাৱ কলিটি জঁয় !

তোৰ সি মাতত

হয় কণ্ঠৰোধ

নাবাজে হিয়াৰ বীণ,

অতীত কালৰ

মধুৰ স্মৃতি

হৃদয়তে হয় লীন !

নালাগে বজাব

অজান পথিক

নুশুনো তোৰ সুৰ

ভাগি যোৱা মোৰ

হিয়াখনি তই

নালাগে কৰিব জুৰ ।।

১৯৪৩

# মই জানো ইমান নিঠুৰ

মই ভাবোঁ মোৰ হিয়াখনি
সীমাহীন মৰমেৰে পূৰ;
তুমি ভাবা হিয়খনি মোৰ
হিয়াহীন তেনেই নিঠুৰ !
ভুল সখী তোমাৰেই ভুল
বুজা হলে হিয়াখনি মোৰ,
নকলাহেঁতেন বুলি তুমি
‘হিয়াহীন ইমান নিঠুৰ !’
পৰাণৰ প্ৰতিটি ধ্বনিত
বাজি উঠে সুৰ সুমধুৰ,
সিয়ো যদি নহয় আপোন
হব নেকি দূৰ বহুদূৰ !
মই ভাবোঁ মোৰেই সুৰত
বাজি উঠে বাহিৰত গান ;
বাজি উঠে মোৰ সুৰ লয়ে
হিয়া ভৰা কেতেকীৰ তান !
তুমি ভাবা নিঠুৰ পৰাণে
নুবুজাৰ ভাও ধৰি মই,
উপহাসি তোমাৰ হৃদয়

গুচি যাওঁ নিমৰমী হ’ই !
পচোৱায়ো ভাঙে খুন্দা মাৰি
তুমি ভাবা হিয়া খনি মোৰ,
তেনেহলে আজি কোনে কয়-
“হিয়া হীন ইমান নিঠুৰ” !
শুনিছাতো বলিয়া অলিৰ
গুণ গুণ মিঠা মধু সুৰ,
সিও বাৰু হব নেকি সখী
হিয়া হীন তেনেই নিঠুৰ ?
সীমাহীন প্ৰেমৰ ফুলনি
তুমি হলা তাৰে এটি ফুল
মই হলোঁ অলিয়া বলিয়া
মতলীয়া অলি বিয়াকুল !
তথাপিও নুবুজাৰ দৰে
ভয় কৰা হিয়া খনি মোৰ,
ভয় কৰে মৰম চেনেহ
ভাবি তুমি তেনেই নিঠুৰ !
কব পাৰা অভিমান কৰি
হিয়া হীন মোৰ হিয়াখনি,
আৰু তোমাৰেই হিয়াখনি
সেউজীয়া কোমল বননি !

ময়ো তেনে কম আজি সখী

নীলিমাৰ কোমলতা সনা

মোৰ এই সৰু হিয়াখনি

আলসুৱা নিয়ৰৰ কণা !

তুমি যদি কোৱা কান্দি কান্দি

হলোঁ বুলি তেনেই নিঠুৰ,

ময়ো তেনে উচুপি শুধিম

মই জানো ইমান নিঠুৰ ।।

১৯৪০

# তৃপ্তিৰ ৰহস্য

জ্ঞানহীন ! মৰণ কাষত ল'ই
আন্ধাৰৰ সপোন ৰচনা
বন্ধুহীন ! মোহ লগা চেনেহৰ
হৃদয়ৰ নাই বোল সনা ।
পুত্ৰহীন ! শূন্যঘৰ শূন্যহিয়া
তথাপিও লাগে ভাল
অসমীৰ পুত্ৰ আমি ক'ত মহাকাল ?

ধনৰ কঙালী তুমি সোণৰ মন্দিৰ সাজি
সৌৱা দেখোঁ মহামায়া আছে নাচি নাচি
যাচি দিবা লবা বাছি মণিমুক্তা পাচি পাচি
পাৰা যদি তৃপ্তি লভি থবা সাঁচি সাঁচি !

ধৰণীৰ ৰুদ্ধদ্বাৰ ধূলিৰ চাতুৰি
তৃপ্তি ক'ত ? অতৃপ্তিৰ উৰিছে বাতৰি
আকাশত জ্বলি সৌৱা প্ৰদীপ মাদলী
মুক্তিৰ পথত দিয়ে শত স্বাৰ্থ বলি ।।

# ভুলৰ পূজা

দেৱতা নিঠুৰ? কয় কোনে? ভুল কিয় কৰা
বুজিও নুবুজা;
পুৱাৰ কিৰণ সানি গধূলি মৰহি পৰা ফুলৰেই
দেৱতাৰ পূজা।
নগলে পাষাণ? গলে কাৰ প্ৰাণ? মানুহৰ?
মানুহক দিবা,
আদিম মানৱে পোৱা দেৱতাৰ প্ৰেম উপহাৰ
তাৰে উমলিবা?
হায় অভাগিনি ! এয়ে শেষ ভুলৰ বিচাৰ
তাৰে অধিকাৰ;
বিচাৰিছা ধৰণীৰ ধূলিৰ বুকুত মোৰ
মিলনৰ হাৰ
দেৱতা নিঠুৰ নগলে পাষাণ মানুহৰ পালা জানো প্ৰাণ
ইমান আশাৰ?
নিয়তিৰ অন্ধ আৱৰণে লুকুৱাই ৰাখিছে যাক
কিনো দোষ তাৰ?
মাটিৰ মানুহ আমি নিয়তিৰ হাতৰ পুতলা
কৰে অবিচাৰ,
জীৱনৰ আঁৰে আঁৰে মৰণৰ ছাঁ লুকুৱাই

এই অভিসাৰ?

অনৰ্থক মাথো এই আমি যচা মৰতৰ

প্ৰেমৰ সম্ভাৰ,

চিনিব পাৰিবা জানো নিজকেই তুমি হেৰা বিচাৰিছা

আজি প্ৰাণ যাৰ?

শুনিলাতো বুজিলাতো মই কোৱা কথা?

কিয় নুবুজিবা?

ফুল যাচি ভুলৰ মাজত ভুলেকৰা তুমি দেৱতাক

আৰু নুপুজিবা ।।

আৱাহন ১২ শকৰ ১২ সংখ্যা

# অঞ্জলি

এবাৰ নুমালে সখি

জীৱনৰ বন্তি গছি

নজ্বলিব আৰুতো দুনাই

ভকতি অঞ্জলি কণি

হিয়া ভৰি ঢালোঁ আজি

আহা সখী পৰাণ মিলাই

বজ্রডোলে বান্ধ লই

এক মন্ত্র গাই গাই !!

# তুমি আৰু মই

নিয়া নিয়া কাঢ়ি নিয়া
আৰু যদি আছে কিবা
তোমাৰ সমল সখি অপূৰণ হৈ,
মোকতো নালাগে একো
হৃদয়ৰ এটি মাথো
মৰমৰ কথা, তাকো সখী নিদিবানে ঐ?
দিয়া দিয়া সখি মোক
ভাল পাবলৈ দিয়া
নহয় অশুচি মোৰ হিয়াৰ চেনেহ
তুমি মোক দিয়া ভালপোৱা
শুদা হৈ যক মোৰ অপূৰ্ণ আৱেগ !
তুমি যদি তুমিয়েই
নাই তাত ভেদাভেদ
ৰূপৰ জেউতি তেনে কিয় কিয় পোৱা
জানো তুমি তথাপিও
নজনাৰ ভাও ধৰা
তোমাৰেই সখী এই মই লীন হোৱা
মই কওঁ মই তুমি
তুমি কোৱা তুমি তুমি

তুমি আৰু তুমি মিলি হ’ক চুমাচুমি

আকাশত তাৰে এটি

ৰূপৰ জেউতি চৰি

কুমলীয়া জোনবায়ে চক জুমি জুমি

অব্যৰ্থ

বতাহলে এৰি দিলোঁ শৰ

পৃথিৱীত পৰিল বাগৰি

নাজানিলো সেই ঠাই ক’ৰ

নিমিষতে বহুদূৰ গ’ল

দুচকুৱে মাথো চাই ৰ’ল।

গালো গান শূণ্য বতাহত

পৃথিৱীতে পৰিল বিয়পি

নাজানিলো সেই ঠাই ক’ত

নিমিষতে কেনি জানো গ’ল

দুকাণত ধ্বনি মাথো ৰল।

পাৰ হল বহুত অতীত

দেখিলোঁ এখুট শৰ

শেৱালি জুপিত

গানে মোৰ লগালেহি মাত

সুৰৰ কঁপনি তুলি সখীৰ হিয়াত ।।

# বিদায়

উলাহৰ গীত মাত, জীৱনৰ শেষ
দুদিনীয়া সংসাৰৰ আশিষ অশেষ
মিছাই কৰিলোঁ সখী ধেমালি-ধুমুলা
মৰণে কৰিব আজি অলীক পুতলা
অব্যৰ্থ মৰণ শেল লভিব হিয়ায়
বিদায় বিদায় সখী বিদায় বিদায়।

সুখেই সকলো যদি বসুধাত হয়
ভাগি গ'ল কিয় তেনে সুখৰ নিলয় ?
নালাগে যাচিব আৰু সঞ্জীৱনী সুধা,
নহয় সহজ সখী মৰণক ৰুধা
মৰণ মৰণ আজি লভিব হিয়ায়
বিদায় বিদায় সখী বিদায় বিদায়।

দুদিনীয়া সৌন্দৰ্য্যৰ মোহন আভাই
নোৱাৰে মোহিব আৰু মৰতৰ দায়
ধুনীয়া কতনো ফুল লেৰেলি শুকায়
নিঠুৰ মৰণ মাথো মৰণ সদায়
বিদায় বিদায় সখী বিদায় বিদায় !!

বল, বীৰ্য্য, মন, জন আশাৰ ৰতন
নহয় ৰতন মাথো জাবৰতি বন
আজি আছে কালি নাই মাটিৰ নিলয়
তাকেই সাৱটি নৰ বিয়াকুল হয় ?
নিকৰুণ শেষ আজি লভিব বিদায়
বিদায় বিদায় সখী বিদায় বিদায় ।

নালাগে বুজাব আৰু মিলন আৰতি
নুশুনে মৰণে সেই প্ৰেম ভৰা গীতি
জীৱনৰ শেষ শান্তি মৃত্যুৰ কবল
চকুৰ আগত আজি কৰে টলবল
বিজয়ী মৰণ আজি লভিব বিদায়
বিদায় বিদায় সখী বিদায় বিদায় ।

দুদিনীয়া সংসাৰৰ মোহন আলয়
মৰণ বৰণ কৰি হব পাৰে লয়
লভিব বিদায় কিন্তু হেঁপাহৰ ঠাই
অসীম আকাশৰ সৌৱা জেউতি চৰায়
চিৰ সুখ চিৰ শান্তি লভিব বিদায়
বিদায় বিদায় সখী বিদায় বিদায় !!

# দৃষ্টিৰ বিননি

সুপ্তিহীন চেতনাৰ স্বপ্নময়ী সোণালী ক্ষণত
কোন খনিকৰে
বিশ্ব-পুলকিত কৰি মাটিৰ প্ৰতিমা গঢ়ি
সাধনা আৱৰে ?
সত্যৰ সুষমা লই তৃপ্তিহীন ৰহস্যৰ
মায়াৰ ৰেখাত
অময়া অনন্ত সুখ বোলাই ৰঞ্জিত কৰে
চকুৰে দেখাত ।
সুগোপন অদৃষ্টৰ আন্ধাৰ পাটৰ এই
বিশ্বজোৰা ছবি
হয় হয় সিও মাথো মায়াৰ পূজাত যচা
মহা মায়া হবি,
খেলাৰ পুতুলা তেনে মায়া ফুলনিত আমি
পৰিছো ভাগৰি,
আমাৰ তুলিকা তিতে অন্ধকাৰ জীৱনৰ
শোণিত বাগৰি ।
স্বপ্নালস দুচকুৰে সৃষ্টিময়ী ভাস্কৰ্য্যৰ
মোহিনী সাজত,
অৰূপ ছবিটি দেখি স্বৰূপ বিচাৰি ফুৰো

হিয়াৰ মাজত ।

তাতে আহি নিয়তিয়ে ভাগ্যৰ লিপিকা লিখে

মহা উচৱৰ

সৃষ্টিৰ পদুম সৰি থিতাতে মৰহি যায়

সপোন বুকুৰ ।

বিদায় পুৰবী শুনি সন্ধ্যাৰ আঁচল উৰে

পাৰ হয় পল;

শেষৰ কুঁৱলী নামি আন্ধাৰে আৱৰি ধৰে

দ্বীপ্ত নীলাচল ।

আন্ধাৰৰ আঁৰে আঁৰে কেনিবা আঁতৰি যায়

মায়াৰ মৰম;

সৃষ্টিৰ বুকুত মাথোঁ দৃষ্টিৰ বিননি ফুটে

সেয়ে অনুপম ।।

আৱাহন, ১৪শ বছৰ-ৰঙালি বিহু সংখ্যা

# মৰমে যেতিয়া চুমে

মোৰ কবিতাই
কোন আকাশৰ
          আকাশী গঙ্গা অলকানন্দা ছুব ?
কোন সৰগৰ
অমিয়া নিজৰা
          ৰূপ কোঁৱৰৰ অৰূপ বতৰা দিব ;
কোন কামিনীৰ
কামনাৰ ৰঙা
ধুনীয়া ধৰাত থুলে থুলে হায়
          কাঞ্চন ফুলাই যাব?
তাৰ কথা তুমি
মনতো নানিবা
          এটি কথা মাথো কোৱা
মোৰ কবিতাৰ
প্ৰাণে প্ৰাণে আছে
মোৰ কবিতাৰ
গানে গানে নাচে
          সুৰৰ কঁপনি, হিয়াই হিয়াক চোৱা
          তুমি দিয়া মোক 'ব্যাথাৰ লগৰী'

আৱেগত নাচি

সপোনত হাঁহি

কাণে কাণে কব কথা

‘অমৰণ সোণ’

আমাৰ মৰম

আমাৰ দৰদ

আমিয়ে বুজিম

আমাৰ “বুকুৰ ব্যাথা” ।।

[ কবিতাটি লিখকে শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকনলৈ লিখিছিল । “পূবেৰুণ” ত প্ৰকাশিত ]

# ভাল পোৱা

মোৰ জীৱনৰ
ৰঙা মদাৰৰ
ৰঙা পলসৰ
        কেঁচা সেউজীয়া ধুন;
যৌৱনৰ মোৰ
শত কামনাৰ
শত লালসাৰ
        ৰূপালী আশাৰ জোন,
দিনে দিনে জ্বলা
নতুন বিজুলী
নতুন তৰাৰ
        মন নচুওৱা
        ছন্দ কথাৰ গান;
নিজৰাৰ দৰে
লাস্যময়ী
জোনাকৰ দৰে
        ঢৌৰে ঢৌৰে খেলা
        নৃত্য নিপুণ প্ৰাণ ;
মোৰ জীৱনৰ

মানসৰ
বগা তেজ
কালৰ হেঁচাত
          গোট মৰা তাৰ
শিলাকুটি কৰা
সপোনৰ কাৰু-কাজ
মোৰ জীৱনৰ চাকি;
টিমিক ঢামাক
জলোঁতে জলোঁতে
হিয়া পুৰি নিয়ো
          চগাক ভুলোৱা ফাঁকি !
জীৱনৰ মোৰ শিল্পী সুন্দৰ
সুৰৰ ৰূপৰ
কবি,
সপোনতে নিতে
আঁকা বহি বহি
          সৃজনৰ ছায়া-ছবি,
ৰূপ প্ৰকাশৰ নিজক নতুন কৰা
নতুন ছলনা !

মই ভালপোৱা হাঁহি

তোমাৰ চকুত

মোৰ লালসাৰ

ফুলৰ সুষমা কোমল উপমা

কঁপেহি ভাহি ।

ভাল পাওঁ বোলা

অভিলাষ মোৰ

অভিমানী তুমি

বুজিব নোৱাৰা ফাঁকি ।

দিনে দিনে যাওঁ

গালৰ চুমাত

ওঁঠৰ চুমাত

বুকুৰ চুমাত

আঁকি-

মোৰ হৃদয়ৰ মোৰ হৰষৰ

সৃজনৰ আশা;

প্ৰতি পৰমাণু বাকি !

দেখা নাই জানো

ভাল পোৱা মোৰ

ভাবুকৰ দৰে

নিজুম নিতাল আন্ধাৰৰ দৰে

অকলশৰীয়া গহীন দুপৰৰ ৰাতি ?

দেখা নাই জানো

ভালপোৱা মোৰ

সাতো সৰগৰ নীলা ঢউ যেন

খেলি খেলি যোৱা

পুৱাৰ কিৰণ

সানি?

আৰু-

ভাল পোৱা মোৰ

ভাল লগা সেই

চুচুক চামাক চোৰৰ দৰে

লোকে দেখা ভয় বুকুত কঁপা ?

পোহৰৰ দৰে

বগা প্ৰকাশৰ

কোমল

কঁপনি

কুঁৱলীৰে যেন ঢকা ?

চঞ্চল মই – চিৰ গতিময়

চিৰ চঞ্চল

ভাল পোৱা মোৰ

চঞ্চলা হেৰ !

আহা কাষ চাপি

কোৱাহি কথা !

ভা-ল-পা-ওঁ

বোলা

চাৰিটি আখৰে

তোমাৰ মুখৰ

কঁপাবাহি মোৰ

নীলা জীৱনৰ সিপাৰৰ সুখ ব্যথা !!

১৩–১১-৪৩

# বিধৱা

হায় যৌৱনৰ ৰূপৰ জোৱাৰ
দুটি মোৰ নয়ন জুৰাই
আজি মই বালিকা বিধৱা
পীৰিতিৰ ৰীতি বুজা নাই,
এয়া মোৰ যুগলতি জোৱাৰ
যৌৱনৰ অবাধ আহ্বান
ৰূপ তৃষ্ণা হিয়াৰ পিয়াঁহ
সেয়ে মোৰ প্ৰীতি অভিমান
হে দেৱতা; ব্যৰ্থ জানো নৈবেদ্য সম্ভাৰ
পূজা আজি জানো অৱসান
এই জীৱনৰ উদ্দাম যৌৱন
কোনে প্ৰভু কোনে দিয়া দান
তেতিয়াৰ কুমাৰী বালিকা
শুনিছিলোঁ কিবা জানো কোৱা
জীৱনৰ অজান বাটত
মাণিকৰ মাধুৰী নোপোৱা
যৌৱনৰ ভৰ দুপৰীয়া
আজি তেনে কিয় পথহাৰা
নয়নৰ মুকুতা নিজৰে

জীৱনৰ শোক অশ্ৰুধাৰা
সপোনৰ সোণালী ৰাগত
দিঠকৰ মাধুৰীমা পাই
যৌৱনৰ পীৰিতি আহুতি
দেৱতাৰ চৰণ তিয়াই
আজি মোৰ জীৱন পথত
ফুলা ফুল মাণিক সৰিব
চেনেহৰ বসুধা খনিত
কোনোবাই সাৰটি ধৰিব
আজি মই অলকা পুৰীত
দৃষ্টিহীন সৃষ্টিৰ মাধুৰী
(মই) কিয় তেনে অকলশৰীয়া
প্ৰিয় হাৰা চেনেহ ভিখাৰী
অভিলাষী বিলাব চেনেহ
মিলনৰ সোণালী যামিনী
কাক তই বুকুত সাৱটি
অভিলাষী পূজাৰী হেঁপাহ
মিলনৰ প্ৰথম নিশাই
ফুলা ফুল হ'ল পাহ পাহ
তোৰ আৰু দেৱতাক তই
পূজাৰিণী নোৱাৰ আনিব

ফুলা ফুল ফুলি সৰি গ'ল
ভোমোৰাই কিমান কান্দিব।
(কিন্তু) তোৰ আৰু ভোমোৰাৰ কথা
কোনে বুজে কোনে পায় ব্যথা,
ভোমোৰাৰ প্ৰাণৰ প্ৰিয়াই
ফুলনিৰ ফুলে ফুলে গঁথা
মানৱৰ ফুলনি বাৰীত
কাঁইটীয়া সমাজ বনত
ভৰি তই পেলাবি কেনেকৈ
অতীতক পৰিব মনত
তোৰ ৰূপ যৌৱন মাধুৰী
অবিচাৰ যৌৱন জানি
অবিচাৰ সমাজৰ চকু
কলুষিণী কৰিব আনি
মহা পাপ ভাল পোৱা তোৰ
কাকো তই নোৱাৰ বিলাব?
চিৰ দিন বুকুৰ পোৰণি
পোৰণিত মৰিব লাগিব।
পুৰুষৰ যৌৱনৰ দাবী
তোক লাগে পিঁয়াহ পূৰাব
কোন তই কোন অনাথিনী

কিয় তোৰ বিচাৰ কৰিব !
কৰ তোৰ দেৱতাৰ পূজা
প্ৰয়োজন যৌৱনৰ ৰোধা
কামিনীৰ কামনা কাঞ্চন
সুখ তোৰ, পতিতা বিধৱা
সেয়ে তোৰ দাৰুণ বিচাৰ
হিয়া ভগা ভৰা যাতনাৰে
সুখ তোৰ দুখৰ ৰাতিত
নুপুৰক সমাজে বিচাৰে ।

হে দেৱতা!
দুচকুত বিচাৰ বিজুলী
চমকত বুকুৰ কঁপনি
প্ৰাণ ভৰা মিলন আশাৰ
হিয়া খনিত মধুৰ আমনি
এয়ে মোৰ বিধৱা জীৱন
তাকে ল'ই পূজা আয়োজন
তাকে ল'ই অৰ্পিম কামনা
বিধৱাৰ জীৱনৰ পণ ।।

# প্ৰীতি উপহাৰ

আয়ৈ বহাগী ঐ কৰেণো বতাহী বাতৰি
আনিলি বুকুতে নধৰা কই
কতনো যুগৰে চেনায়ে বুকুতে নুবুজা
চেনেহী মাতেৰে মাতিলি তই
প্ৰাণতে উঠিলে প্ৰাণৰে কঁপনি
গীতৰে সুৰতে কঁপালি বননি
চেনেহৰ মউতে মাখিটি বুৰিলে
এঠানি এবানি আমনি নলগা হই
আয়ৈ প্ৰাণৰে বান্ধৈ মোৰ
শিকালি কিটিনো অমিয়া মহিমা
ল'ৰালিত উমলা যৌৱনৰ পীৰিতি
শেষেৰে মৰণক লই
শ্যামলা বসুধা চিকুনি অপৰা
ৰূপ জোৱাৰৰ মাধুৰি গৰিমা
পাতে বনে বনে প্ৰাণে গানে গানে
ফুটোনে নুফুটো উৰুলি সুষমা
আয়ৈ বহাগী ঐ তোৰ প্ৰাণৰ বান্ধৈটি
কলীয়া কুলিৰে গীতৰে লহমা ।
ৰূপহীৰ ৰাঙলী চিকুণী ওঁঠতে

যাচিলে চেনেহৰ চুমা
যৌৱনৰ জোৱাৰৰ বুকুতে আমনি
বিৰিণাৰ তলতে নেঠনি মাৰিলি
নাচনী বহাগী আগতে ওলালি
শুনিবি নুশুনা সুৰ।
আমনি নালাগে জামনি নালাগে
চিৰতি উলাহে পূৰ।
আয়ে সাতাম পুৰুষীয়া বহাগী সুৰীয়া
হেঁপাহৰ পেঁপাটিৰ মাত
(মোৰ) বুকুতে উঠিছে সমীৰ পুৰীৰে
লাৱনিৰ নমৰে জাত
কৰেনো বহাগী ক'লৈনো আহিলি
লগতে আনিলি কাক
ফুতুকাৰ তলতে টকাই টকে টকায়
গাভৰুৰ নাচৰে পাক
মালিনী অসমীক কৰি গৰবিনী
ৰাখিলি তয়েহে চিন
মিৰি নাগিনীয়ে চাপৰি বজালে
জগতত অসমৰ দিন
পাহাৰৰ সিপাৰৰ চেনায়ে মাতিলে
ভৈয়ামত ফুটিলে উকি

পাহাৰৰ নিজৰা ভৈয়ামত নিজৰি
চেনেহৰ মাধুৰী বাকি
বহাগীৰ বুকুৰে চেনেহৰ উমতে
পাহাৰৰ নাগিনী আমি
ভৈয়ামৰ গাভৰুৰ বুকু জুৰ কৰিলে
অসমৰ গাভৰু আমি
আয়ে মোৰ জনমৰ চিকুণী বিহুটি
নুফুলা মুকুলক ফুলটি কৰিলি
নুফুটা লহৰত সুষমা সানিলি
জগতত ৰচিলি চিন।
পাহাৰী ভৈয়ামী সবাকো শিকালি
আমি অসমীয়া তিয়াগা মিছালি
জগতত আমাৰে দিন,
কাৰনো তোৰ দীপক ঐ সুৰ
নুমুৱা চাকিটিৰ শলিতা জ্বলালি
অসমী আইৰে বুকু উজলালি
নুপুৱাই সুখৰে ৰাতি
অসমৰ আকাশত দীপালী পাতিলে
ৰূপহী জোনায়ে হাঁহিটি মাৰিলে
বেলিটি নিদিয়ে ভাটি ।।

# আইতাৰ মৃত্যুত (কামাখ্যা)

কোন অজানাৰ আজি কোমল ইঙ্গিত পাই
        সপোনৰ মায়াজাল পলাল আঁতৰি,
ইমান ধুনীয়া এই ধৰণীৰ ধূলি খেলা
        নিমিষতে গলা এৰি তেনেই পাহৰি ।
অজানে বজালে বাঁহী বুকুৰ মৰম সানি
        সৃষ্টিৰ বুকুত তুলি সপোনৰ সুৰ,
সেইদিন আহিছিলা মোহলগা ধৰণীৰ
        বিচাৰি চেনেহ কণা আপোন বুকুৰ ।
আহিছিলা অজানেদি সপোনৰ সুধা সানি
        মৰতৰ মৰমেৰে সপোন সুৱদি,
জীৱনৰ পাতে পাতে মৰণৰ মালা ল'ই
        হিয়াতে গোপনে পুজি অসীম অনাদি
মৰতৰ মানুহৰ বুকুৰ মৰম ল'ই
        চেনেহৰ চকুলোৰে গঁঠা ফুলহাৰ,
ইমান আপোন বোলা ধৰণীখনিত আজি
        অৰ্থহীন হ'ই গ'ল জীৱন নিশাৰ ।।

২৮-৮-৪৯

# ভুৱনেশ্বৰীৰ শিখৰত

তোমাৰ বিদায় আজি শুনিলেও দুখ লাগে
        তুমিতো বুজিছা হায় আজি তুমি কোন,
মায়াৰ ধূলিৰে ঢকা আমাৰ চকুৱে বাৰু
        কিদৰে বুজিব দেখা সৰগৰ জোন ।
দূৰণিৰ ৰিণি ৰিণি সুৰৰ লহৰ কঁপি
        দূৰণিতে মাৰ যায় দিগন্ত বিয়পি,
অনাদি কালৰ সেই সুদূৰৰ সুৰ শুনি
        মাৰ যায় ধৰণীতে মানুহ মায়াপী !
জীৱনৰ দুখ সুখ মনৰ মাধুৰীৰাশি
        ধৰণীৰ মিলনৰ কোমল কামনা,
ধৰণীতে ওৰ তাৰ সুদূৰে নুবুজে একো
        নুশুনে অসীমে কোনো হিয়াৰ বাসনা ।
শান্তিৰ নিজৰা ধাৰা অমৰাৱতীৰ পৰা
        মৰত শীতল কৰি, প্ৰেমৰ পোহৰ
পৰদেহি ধৰণীত মানৱে বিচাৰে তাৰে
        অনন্তৰ সন্ধান সউ দূৰ – সুদূৰৰ ।
প্ৰণয়ৰ শত তৰা প্ৰাণত জ্বলাই আমি
        নিতৌ পুজিছোঁ ক’ত দেৱতাৰ প্ৰাণ,
ধৰণী বুৰাই আমি বেদনাৰ চকুলোৰে

অসীমক অৰপিছোঁ অসীমৰ দাম ।

সুন্দৰৰ আৰাধনা অথলে নাযায় যদি

বুজে যদি দেৱতাই বেদনা হিয়াৰ

সপোনৰ শেষহলে মধুৰী থাকিব, তুমি

তাৰেই বুকুৰে চাবা আমাক এবাৰ ।

তুমিতো আঁতৰা নাই আছা ধৰণীতে

এই পুৰণি চকুৰে মাথোঁ চিনিব নোৱাৰোঁ,

আমাৰ মৰম তুমি পাৰিবানে পাহৰিব

পাৰিলেও অন্ত তাৰ বুলিব নোৱাৰোঁ ।

জীৱনৰ ওৰে দিন সুন্দৰৰ আৰাধনা

ভুলৰ মাজত ৰচোঁ ফুলৰ সপোন

বুজিব পাৰিবা জানো, নোৱাৰোঁ বুজিব দেখি

ধৰণীৰ ধূলি কণা কিমান আপোন ।

ক্ষন্তেকৰ ভুল ভাঙি ইমান আঁতৰি গলা

গলা তুমি সুন্দৰৰো দূৰ দূৰলই

যোৱা বাৰু দুখ নাই দূৰতে ওচৰ তুমি

বিলাবা প্ৰীতিৰ মাথোঁ ভাব আমালৈ ।।

# বিফলতা

দিনৌ যদিহে সখী
জীৱনৰ একোটুপি
ৰঙা তেজ নিয়তিয়ে
চুহি চুহি খায়,

দিনৌ যদিহে গঁঠা
সুমধুৰ সপোনৰ
কুমলীয়া মৌ কোহ
ভাগি ভাগি যায়,
কিহৰ কাৰণে তেনে
ধেমালিৰে ভৰপূৰ
জীৱনৰ পূজা-মেলা
কৰোঁ আয়োজন

সুখৰ সপোন সখী
দুখেৰে উঁৱলি গ'ল
জীৱনৰ আজি আৰু
নাই প্ৰয়োজন ।।

# উন্মুক্ত যৌৱন

কেঁচুৱাৰ কোমল প্ৰাণত
স্ৰষ্টাই যাচিলে মোক
মহাশক্তি উদাৰ অজান,
সেই বাৰতাৰে সসীমত
কোনে গাই গ'ল
-"উদ্দাম যৌৱন হেৰ মোৰ
মহাদান' –
শত শত বিজুলী চমকি
বিজয়ৰ উঠিল হেন্দোলনি
অসীমৰ সীমাজৰি ছিঙি
অসীম অনন্ত এক
বিজয়ৰ তানিলোঁ নিনাদ
যৌৱনৰ গঢ়ি চূড়ামণি
নহয় যৌৱন মোৰ
দুৰু দুৰু হিয়াৰ কঁপনি
কামিনীৰ আশা মহাধন
নহয় যৌৱন মোৰ
প্ৰেয়সীৰ কোমল বুকুত
প্ৰণয়ৰ প্ৰেম ভৰা পণ

জীৱনৰ উন্মুক্ত যৌৱন মোৰ
জগতৰ বিজয়ী সৌধৰ
সুগোপন গৰিমা মাধুৰী
নৱ প্ৰাণ নৱ অনুৰাগ
উত্তোলন মূছৰ্না প্ৰাণৰ
বিজয়ৰ সুৰভি বাতৰি
ৰূপৰ জোঁৱাৰে মোৰ
উত্তাল যৌৱন ভেদি
নোবোৱায় মিলন মাধুৰী
দিঠকে সপোনে মোৰ
মৰণটো জীৱন বিয়াৰ
যৌৱনৰ ৰঙা জীয়া তেজ
ঢালি দিম উজাৰি উধাৰ
নাৰীৰ নয়নে গঢ়া
বিপুল জলধি ভেদি
মোৰ যৌৱনৰ দিগন্ত বিয়াপি
নীলিমা প্ৰসাৰি যোৱা
সংগীত মূৰ্ছনা
তাকে ল’ই কল্পনা জানিত মোৰ
সুন্দৰৰ মহা আৰাধনা ।
যৌৱনে বিচাৰে মোৰ গোড়া ধমনীত

স্ফীত হোৱা সিৰত বাগৰা
জীয়া তেজ, গৌৰৱ ঘোষণা
তাৰ কলধ্বনি
মিলি গ'ই দেশ-মাতৃকাৰ
গৰীমাৰ গীতিকা ৰচনা
তেজৰ পোৰণি তুলি
শত্রুদল কৰা মষিমূৰ
মোৰ যৌৱন অনির্বাণ পণ
বিধাতাৰ শ্ৰেষ্ঠদান
মানৱৰ মহা শক্তি
তুমি হেৰা উদ্দাম যৌৱন
মিলনৰ সুৰভি নিশ্বাস ল'ই
উৰি গুচি যোৱা
বতাহী পখিলী মোৰ
মই ভাবোঁ প্ৰিয়াৰ পৰশ
সত্যহন্তা অভিশাপ ঘোৰ
প্ৰিয়াৰ হিয়াই দিয়া
স্পর্শত যৌৱন মোৰ
বিচাৰিছে সত্যৰ গৰিমা
সত্য শিৱ সুন্দৰৰ
মহামন্ত্ৰ বিপুল যৌৱন মোৰ

ধৰণীৰ সত্যৰ নিজৰা ।।

# মুক্তি গান

মুক্তি কামী শক্তি কামী জাগা জাগা

বিজয় ডঙ্কা বিজয় গান

মুক্তি কামী শক্তিমান

আগুৱান আগুৱান ।

মুক্ত আকাশ, মুক্ত ধৰা

শক্তি জ্যোতি জগত ভৰা

মুক্ত আজি কৌটি কণ্ঠ

গোৱা গান

কলং ভৰক উঠক বান

জৰা-জড় অৱসান

মুক্ত আজি মাতৃ-প্ৰাণ

শক্তি ভক্তি কৰা দান

গোৱা গান ।

অথিৰ আয়ুৰ পূজাৰ ভাগ

তীব্ৰতেজৰ ৰঙা দাগ

কৰা আগ - কৰা আগ

স্বাৰ্থ ত্যাগা ত্যাগা ভাৰ

ভাঙ্গি দিয়া ৰুদ্ধ দ্বাৰ

মিছা গৰ্ব খৰ্ব কৰা

খৰ্ব কৰা অহঙ্কাৰ ।

স্বৰ্গ মৰ্ত জ্যোতিৰ ধাৰ

ৰক্ত ৰুধিৰ বোৱাই গাৰ

ধ্বংস কৰা অন্ধকাৰ

চূৰ্ণ কৰা কাৰাগাৰ

মুক্ত আজি মুক্ত প্ৰাণ

মুক্তি কামী শক্তি কামী

কৌটি কণ্ঠ বীৰৰ প্ৰাণ

গোৱা গান ।।

[ বিশ্ববিদ্যালয় দিৱস উপলক্ষে অগ্নি কবি অম্বিকাগিৰি ৰায়চৌধুৰীয়ে দিয়া বক্তৃতা শুনি লিখা। কটন কলেজ নতুন ছাত্ৰাবাস, ১৮-০৪-৪১ ]

# বেশ্যা

কুৰি শতিকাৰ যান্ত্ৰিক যুগৰ সভ্যতাৰ
তায়ো এজনী মানুহ ।
তেজ, মাংস, অস্থি, চৰ্ম, স্নায়ুৰে ভৰা
যন্ত্ৰমান দেহ পিঞ্জৰাটোৰ মাজত
বায়বীয় জীৱটোৰ
আৱশ্যকীয় ভোকৰ ভাত আৰু পিয়াহৰ পানীৰ
অভাৱটোৱেই যেতিয়া চূড়ান্ত
আৰু তাৰ বাবেই যেতিয়া এমুঠি টকাৰ প্ৰয়োজন
আত্ম-সন্মানৰ দাম্ভিক চক্‌চকীয়া মুখা পিন্ধা
ৰায়চাহেব শৰ্মা, খানবাহাদুৰ ইকবাল
ই. এ. চি. ফুকনৰ বুকুতো যেতিয়া
তেওঁলোকৰ ঘৰৰ ডিঙিত শিকলি দিয়া বিলাতী কুকুৰটোৰ দৰে
চেপি ৰখা দুৰন্ত কামনাৰ তাড়না
আৰু তাৰে চাৰিতাৰ্থৰ বাবেই চোৰৰ দৰে আন্ধাৰৰ আঁৰ লৈ
তাইৰ ঘৰলৈ সিহঁতৰ গোপন আগমন-
এটোপা সুৰা আৰু ‘ছাকী’ৰ চাকনৈয়াত উটি
ওমৰৰো যেতিয়া জীৱনৰ নিগূঢ় কৰুণতাৰ
দাৰ্শনিক ব্যাখ্যা দিয়াৰ একান্ত অধিকাৰ
সমাজৰ ব্যভিচাৰত কক্ষচ্যুত,

অৰ্থনৈতিক সমস্যাত জলাকলা

পৰমুখাপেক্ষী মৰিবলৈ ধৰা তাইৰ জীৱনটোক

আত্ম-সন্মান, নাৰী পবিত্ৰতাৰ বিৰাট প্ৰবঞ্চনাৰে ঠগি

তিলে তিলে জহি যাবলৈ দিয়া অৰ্থহীন কৌতুহলটোক

তাই তাইৰ আৱশ্যকতাহীন জীৱনটোতকৈয়ো বিড়ম্বন বুলি ভাবে

সেয়েহে হয়তো

সুৰা গান আৰু নৃত্যৰ মজলিছৰ আৰাম ‘কামৰাত’

পৃথিৱীৰ বোকাৰে সজা দেহা বেচি

তাই হল নৃত্যৰতা, কামৰতা, কলুষ বেশ্যা

আজিৰ নগণ্য আত্ম-সন্মানৰ ভীৰুতাক বিসৰ্জন দি

তাই বাছি ল’লে জীৱনৰ এটি সহজ নিশ্চিন্ত উপায় ।

কিন্তু সিমান সহজো নহয় ।

তাৰবাবে তাইক লগা হ’ল বিশ্ব বিখ্যাত মনোবিজ্ঞান বৈশ্লেষণিক পণ্ডিত ফ্ৰয়েডৰ,

যৌন তাত্ত্বিক হেভলক্ ইলিচৰ

যৌন-তত্ত্বৰ ক খ গ ৰ জ্ঞান ;

গৰ্ভৰোধ, গৰ্ভপাতৰ কিছুমান সহজ উপায় ;

বাৎসায়নৰ কাম-শাস্ত্ৰৰ প্ৰেমাভিনয়ৰ কিছুমান উন্নত মনোৰঞ্জক লাস্য,

অৰিয়েন্টেল নৃত্য আৰু সঙ্গীতৰ নিখুঁত সুৰ আৰু ভঙ্গিমা

তানপুৰা আদি যন্ত্ৰবাদ্যৰ এটা পূৰা ‘ছেট’ ;

সেমেকা সন্ধিয়া গৰম কৰা Red sealed XXX Ram অৰ

কিছুমান ৰঙা বটল ;

বেঙ্গল কেমিকেল কোম্পানীৰ সুগন্ধি প্ৰসাধন ;
কমলালয়ৰ কেইখনমান আকাশী ৰঙৰ শাড়ী ;
আৰু কত কি ?
—তাইৰ বাবে নহয়,
এইবিলাক ‘চব’ সিহঁতৰ বাবে ।
সিহঁতক লাগে কেৱল আনন্দ
কেৱল কামনা তৃপ্তিৰ কোলাহল পূৰ্ণ মাতলামিৰ মন বোৱতী সুঁতি।
আৰু তাই যেনিবা সিহঁতৰ
টোপনিৰ পৰা উঠা অলস চিন্তাৰ একাপ গৰম মিঠা চাহ,
টকাৰ এৰাঁ সূতাৰে টনা এটা নিষ্প্ৰাণ কাঠৰ পুতলা নাচ
তাইৰ নাই জীৱন, তাইৰ নাই ভাগৰ, তাইৰ কোনো ক্লেশ ;
তাইৰ জীৱনৰ সহজ গতিটোৰ
ৰুদ্ধ হৈ যোৱা স্বাভাৱিক প্ৰসাৰতাৰ প্ৰতি সিহঁত অন্ধ ।
প্ৰগতিশীল ‘ইনটেলেক্‌ছুৱেল’ কবি মি: বৰুৱাই হয়তো নিৰ্ভীক
ভাবেই কয় ;
এই বাৰাঙ্গনা কাৰাগাৰে সমাজৰ যিমানেই অনিষ্ট নকৰক
মই গৌৰৱ কৰোঁ
ভাৰতৰ দুটা পুৰণি ৰত্ন আজিওঁ সিহঁতে জীয়াই ৰাখিছে,
অৰিয়েণ্টেল ডানচ্ আৰু অৰিয়েন্টেল মিউজিক্ ।
সিহঁত নোহোৱা হ’লে একেবাৰে লোপ পালেহেঁতেন ।
অৰ্থনীতিৰ অধ্যাপক বানাৰ্জীয়ে হয়তো ক’ব ;

ভাৰতৰ বৰ্তমান অৰ্থ-নৈতিক অৱস্থাত ইহঁত অৱশ্যম্ভাৱী
ইহঁতৰ জন্ম কোনো বিদ্যুৎ-প্ৰবাহো নহয়,
বজ্ৰপাতৰ আকস্মিক আঘাতো নহয় ।
‘অমৃত বাজাৰ’ৰ সম্পাদকে সেয়েহে হয়তো আমাক বাতৰি যোগায়
অকল কলিকতা মহানগৰীতে ৪৫ হাজাৰৰো ওপৰ
গৱৰ্ণমেণ্টক কৰ শোধোৱা
( চমৎকাৰ গৱৰ্ণমেণ্টৰ ধন উপাৰ্জনৰ পথ )
আৰু বা ক’ত বে-আইনী বেশ্যাৰ বাস ।
কিন্তু সিহঁতৰ বে-আইনী ব্যৱসায়ত নাই
‘মুনাফাখোৰ’ পণ্ডিত সিঙৰ
১০০ টিং চোৰাং মিঠাতেলৰ লাভৰ অংশ
বা মন্ত্ৰী আলি চাহাবৰ ভাতিজাক
টেক্স্ টাইল চুপাৰিন্টেনডেন্ট আশ্ৰফ আলিৰ
গোপন সন্মতি গ্ৰাহী ক’লা বজাৰৰ চোৰাং ধনৰ ভাগ ;
নাইবা মৰা অসমীয়াৰ পচা জঁকা টানি
অসমৰ উৰ্বৰা পতিত মাটিত জাকে জাকে পমুৱা শগুনৰ
আক্ৰমণমূলক বেআইনি দখল ।
তাইৰ মাৰ্জিত অৰ্জন মাত্ৰ
চৌখিন ধনীৰ যুক্তি সন্মত ব্যয়ৰ এটা নগণ্য অংশ,
তাইৰ ওঁঠত নাই নিষ্পেষিতৰ বুকু শোহা
কেঁচা তেজৰ নিলাজ চেকা ।

আছে মাথোঁ বিলাসী ধনীৰ মোনাৰ টকাৰে কিনা
লিপ্ ষ্টিকৰ সমুজ্জ্বল ৰং
তথাপি তাইক সকলোৱে ঘিণ কৰে, হাঁহে,
হায় লাঞ্ছিতা বেশ্যা ।
কিন্তু আন্ধাৰৰ আঁৰৰ কামুক ভদ্ৰবেশী দস্যুৰ দল
পোহৰত ইমান জিলিকা ।
হুইটমেনে অৱশ্যে কান্দে,
আমাৰ বৰুৱা কবিয়েও কান্দে,
এজনে কান্দে তাইৰ সৌন্দৰ্য্যৰ জঁকাটোত
কৃত্ৰিম প্ৰসাধনৰ অত্যাচাৰেৰে
ঈশ্বৰৰ সুন্দৰ সৃষ্টিত আনৰ মন-যোগনীয়াৰ হ'বৰ বাবে,
দুটা টকা অহাৰ বাট মুকলি ৰখাবৰ বাবে
ধুনীয়া বোলাবৰ হাঁহি উঠা বাসনাটো দেখি ।
ইজনে কান্দে পতিতা 'গাভৰু ওঁঠৰ লালিমাৰ' বাবে
তেওঁৰ উদভ্ৰান্ত প্ৰেমিক হৃদয়ৰ মানৱীয় কামনাৰ পলাশ জুইত
উৰণীয়া চগাৰ দৰে আত্ম আহুতি দিয়াৰ নিমন্ত্ৰণ জনাই
তেওঁ কান্দে কুৰি শতিকাৰ নিৰ্ভীক দেৱদাসীৰ বাবে ।
অজন্তা ইলোৰাৰ ৰূপদক্ষ শিল্পীৰতো তাই এক অভাৱনীয় প্ৰয়োজন
উলঙ্গ নাৰী-সৌন্দৰ্য্যৰ সাধনাৰ গোপন কক্ষত
তাইযে জীৱন্ত সৌন্দৰ্য্যৰ চিৰ-নতুন প্ৰতীক ।
আৰু এই সংগ্ৰামলিপ্ত কামনাৰ আগত উছৰ্গিত

খাকী জীৱনবিলাকৰ উন্মত্ত কাম বুভুক্ষাৰ পথত
তাই এক সামাজিক শৃঙ্খলাৰ শাসক ।
কিন্তু সমাজৰ ধৰণীধৰ দলেই তাইক ভয় কৰে আটাইতকৈ বেচি ;
দেশদ্ৰোহী, জাতিদ্ৰোহী, সমাজদ্ৰোহী, তাই,
অগ্নিক সাক্ষী কৰি লোৱা কত পতিব্ৰতা স্ত্ৰীৰ
মদ্যপায়ী জন্তু স্বামীৰ তায়ে সৰ্বনাশৰ হেতু ।
কত ভবিষ্যৎ দেশ-গৌৰৱ, দেশ-নেতাৰ
উদভ্ৰান্ত যৌৱন মাদকতাৰ ভোগ যাচি
ক্ষয়ৰোগ, গনোৰিয়াৰ যন্ত্ৰণাত অকাল মৃত্যুৰো মূল তায়ে ।
তাতোকৈ,
চৰিত্ৰৰ কৰ্ণধাৰ, সমাজত নীতি বিচাৰৰ ফটা-ঢোল কোবোৱা
বৰমূৰীয়া সকলৰ গোপন চৰিত্ৰৰ তাই যে কষটিশিল ।
তথাপি তুমি মহীয়ান্
হে গোপন প্ৰিয়া –
কুৰিখন চাহ বাগানৰ মালিক বৰুৱা হাকিমে
হাজাৰ কুলীৰ তেজ শুহি অনা অক্ষয় ঐশ্বৰ্য্যৰ
তুমি কি শান্তি ৰূপী লক্ষ্মী গৃহিণী ।
মনীষী সকলৰ তৰ্ক চক্ৰত তুমি যে এক গবেষণাৰ বিষয়
ভাৰত স্বাধীনতাতকৈও গুৰুত্বৰ,
চান্‌ফ্ৰান্সিচকোৰ ভবিষ্যৎ আন্তৰ্জাতিক পৰিকল্পনাতকৈও সমস্যাপূৰ্ণ
কোনে জানে তোমাৰ চকুত, তোমাৰ ওঁঠত, তোমাৰ দেহত

মনালিছাৰ কি ৰহস্যময় লাস্য,
সি আত্মপ্ৰতিষ্ঠা আত্ম তৃপ্তিৰ গোপন অৰ্থপূৰ্ণ হাঁহি,
নে সমাজৰ অবিচাৰ অন্যায়ৰ বিৰুদ্ধে কটাক্ষ বিদ্ৰুপ,
প্ৰতিহিংসাৰ অস্ফুটিত উত্তপ্ত লাভাৰ জ্বলন্ত ফিৰিঙতি ?
ধন্য হে কুৰি শতিকাৰ নৃত্যশীলা কোকিল-কণ্ঠা চিত্ৰলেখা,
তোমাৰ ছলনাত
শত অনিৰুদ্ধ, অসুৰ বাণৰ ৰুদ্ধ কাৰাগাৰত বন্দী ;
দ্বাপৰ যুগৰ শ্ৰীকৃষ্ণৰ অব্যৰ্থ সুদৰ্শন চক্ৰও হয়তো
তোমাৰ আগত শক্তিহীন ।
তোমাৰ একো নাই—
আছে মাথোঁ অলস বাহুৰ এটি প্ৰাণহীন দুৰ্বল বান্ধনি,
এটি তেজ নাইকিয়া শেঁতা হাঁহি
আৰু উলঙ্গ দেহৰ উৎকত কামুকতা,
হে যান্ত্ৰিক যুগৰ যন্ত্ৰপ্ৰায় বিশ্ব প্ৰিয়া
কোনে কয় তুমি বাৰাঙ্গনা ?
তুমিয়ে ধনীক সম্প্ৰদায়ৰ বিৰুদ্ধে বনুৱাৰ শ্ৰেণী সংগ্ৰামৰ
এটা সংকট পূৰ্ণ ‘ষ্ট্ৰেটেজিক পইণ্ট’
তুমি কুৰি শতিকাৰ লগ্ন সভ্যতাৰ
নিৰ্ভীক বীৰাঙ্গনা ।।

# বিপ্লৱী

আমাৰ আছে মানুহৰ ওপৰত বিশ্বাস ;

আমাৰ আছে ভবিষ্যতৰ সুস্থ ৰঙা সূৰ্য্যৰ পিনে চকু ।

বৰ্তমানৰ নিৰালম্ব নিৰাসক্তিৰ

বিকৃত জঞ্জাল ল'ই

জীয়াৰ বুকুত

আমাৰ দুৰু দুৰু স্পন্দমান অন্তৰতো আছে

শতেক ভৰষা ।

গেলা দুৰ্গন্ধ, অস্বাস্থ্যকৰ

হিংসুক পাৰিপাৰ্শ্বিকতাৰ ওপৰত নিৰ্ভৰ

এই ভঙ্গু, পঙ্গু, নৰক কেন্দ্ৰীত দেহৰ দূৰ্ভোগ

আমি

অন্তৰৰ গতিশীল শক্তিৰ

পৰম তৃপ্তিত

দিনে দিনে গঙ্গাস্নান কৰি

লভিছোঁ মুক্তি ।

আমি গঢ়িছোঁ নিজৰ ৰূপ,

সমাজৰ বিশ্ব মানৱৰ সুগভীৰ দৃঢ় সভ্যতা,

আমাৰ সংস্কৃতিৰ নৱ সাম্যমন্দিৰ ।

বিশ্বৰ জনসভাত ।

ৰুদ্ধ আত্মৰতি মননশীলতাৰ অন্ধ কাৰাগাৰ গঢ়ি
আমি নহওঁ “নিঃসঙ্গ সুদূৰ ।”
স্বৰ্গৰ কোনোবা নন্দন বনত
আমাৰ বাবে নাই
মৃত্যুঞ্জয়ী অমৃতৰ গোপন ভাণ্ডাৰ
আমি মানুহ –
জাগতিক পঞ্চভূত জাত আমাৰ
দীপ্তিমান শৰীৰক লাগে
নতুন মুকলি নীলা আকাশত হোৱা অৰুণোদয়ৰ
‘আলট্ৰা ভায়লেট’ ৰশ্মি ;
পুষ্টি সাধক অন্নৰ
তৃপ্তিদায়ক ভৰা থাল ।
তাৰ বাবে আমি উৰ্বৰা মাটিৰ কৰ্মনিষ্ঠ পূজাৰী ।
যুগ পৰিস্থিতিৰ প্ৰতীক
বস্তু আৰু আদৰ্শৰ
দ্বন্দ্বাত্মক গতি
সংগ্ৰাম লিপ্ত বিপ্লৱী ।।

# কয়লা

কয়লা !

মৰ্ত্যৰ মূৰ্ত বাসনাত কন্দা মোৰ অস্থিৰ জীৱন

লক্ষ্যহাৰা দৃষ্টি তাৰ,

বাস্তৱৰ সংঘাত আৰু

সংসাৰৰ প্ৰতিঘাত ।

মুমূৰ্ষু প্ৰাণায়ু

মই খনিৰ বনুৱা ।

দয়া, মায়া, ক্ষমা, মমতাৰ

মোৰ দুখীয়া সংসাৰ

মানুহ হৈ জীয়াই থকাৰ

জীৱনৰ কত আশা

ক'ত মোৰ হাবিলাষ,

ক'ত মোৰ ৰঙীন কল্পনা !

কিন্তু হায় !

সেইবোৰ দূৰণিৰ আধা ভগা পঁজা আৰু কয়লাৰ খনি

মাজত আধামাইল আঁতৰৰ ভাগৰুৱা ব্যৱধান ;

জীৱনৰ প্ৰতিদিন

পুৱা যোৱা

আৰু

সন্ধ্যাঘুৰা সংক্ৰামক ব্যাধি

অতীত বৰ্তমান আৰু ভৱিষ্যত জুৰি

নিশ্চল গতিয়ে মোৰ

জীৱনৰ গঢ়িছে কবিতা

কৰুণ কৰ্কশ !

মোৰ ব্যস্ত জীৱনৰ পাৰিপাৰ্শ্বিকতা

কয়লাৰ ধোঁৱা আৰু গৰম গহ্বৰ,

কি উষ্মা তাৰ

কি ভীষণ অগ্নিকুণ্ড জ্বলে অহৰহ ।

কয়লা ।

মোৰ ভগ্ন অভীপ্সাৰ ক'লা ক'লা দাগ

অন্তৰৰ ৰঙা শোণিতৰ পৰিচিত যেন

মৰি যোৱা নিষ্ক্ৰিয় যাতনা ।

সিহঁত মোৰ বৰ আপোন

সিহঁতে মোৰ বাবে গঢ়ি তোলে

এটা সভ্যতাৰ সুকীয়া সংস্কাৰ ।

তাত নাই –

সীমাবদ্ধ জীৱনৰ নিষ্ঠুৰ মৃত্যুৰ

হাঁহি আৰু কটাক্ষৰ ভয়াৰ্দ্ৰ বিদ্ৰূপ ।

তাত মাথোঁ আছে

কালৰ কু-অভিসন্ধিৰ নিলাজ অভিব্যক্তি ।

জীৱনৰ কামনাত কঁপা

কুঁহিপাত, ডাল, ছালৰ

এখন বৃহৎ পাৰিবাৰিক সংসাৰৰ

পাহৰি যোৱা এটা ঠেক বুৰঞ্জী ;

কোনোবা অতীত যুগৰ এখন

অসমাপ্ত । আমাৰ সংগ্ৰহত থকা কিতাপখনৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে কবিতাটোৰ শেষাংশৰ পাঠোদ্ধাৰ সম্ভৱ নহ'ল। আপোনাৰ সংগ্ৰহত যদি এই কবিতাটি আছে তেনেহ'লে nibirborpuzari@gmail.com ত ইমেইলযোগে পঠাবলৈ অনুৰোধ থাকিল ।

# কুকুৰ

সউদল কুকুৰ

প্ৰত্যেকটো ৰাস্তাৰ

আৱৰ্জনাৰ দ'মবিলাকৰ কাষে কাষে

সিহঁতৰ প্ৰত্যেকৰে মুখে মুখে

ৰস নাইকিয়া শুকান একোডোখৰ

জাতি-বৰ্ণ বিচাৰ নোহোৱা হাড়;

নাইবা কোনোটোৰ মুখত

ফুটা জোতাৰ একো টুকুৰা লেকেটা চামৰা।

দুই-এটা ভাগ্যৱানৰ বাহিৰে

চুৱা-পাতনিৰ ভাতৰো সিহঁতৰ বাবে অনাটন।

সিহঁতৰ পাছে পাছে ফুৰিছে

গাৰ ছাঁৰ দৰে আন্ধাৰ বুভুক্ষা।

ক্ষুধাৰ তাড়নাত সিহঁতে পাহৰি যায়।

"অহিংসা পৰম ধৰ্ম"

সিহঁতৰ অশৃংখল কোলাহলপূৰ্ণ, হিংসামত্ত সমাজত

ক্ষুধা নিবাৰণৰ কেৱল কঠোৰ সংগ্ৰাম!

যুধিষ্ঠিৰৰ লগত স্বৰ্গাৰোহণৰ আশাত

ধৰ্মযাত্ৰা কৰিবৰ মৰসাহ আৰু সিহঁতৰ নাই।

ক্ষুধাৰ তাড়না,

লোভৰ লেলাৱতি

আৰু চোকা দাঁতৰ কুট্ কুটনিত,

নীৰস হাড় আৰু লেকেটা চামৰাও হয়

সিহঁতৰ বাবে

সৰস আৰু ‘প্ৰটিন’ৰ দৰে কোমল।

ইমান তৃপ্তি সিহঁতৰ!

দাঁতত পেলাই চোবোৱাৰ

নানা কৌণিক ভংগিমাৰে

সিহঁতে যেন আৰু জটিল কৰি দিয়ে

সৃষ্টিৰ এটা পুৰণি জটিল প্ৰশ্ন-

"আমি কেৱল খাবৰ বাবে জীছোঁ নে

আমি জীৱৰ বাবে খাইছো?”

কিন্তু, “খোৱা, পিয়া আৰু স্ফূৰ্তি কৰা"

খাবৰ বাবে জী থকাৰ প্ৰত্যেকটো আহিলাৰে যে

সিহঁতৰ অভাৱ!

জীৱৰ বাবে খাবলৈ

খাদ্যৰ নামতো সিহঁতে পায় মহামাৰীৰ বীজ!

এনেকৈয়ে সিহঁতে মৃত্যুক নিজে মাতি মৰিব,

সিহঁত নিৰুপায়!

সিহঁতৰ প্ৰত্যেকৰে কপালত যে সনা আছে

কুৰি শতিকাৰ সভ্যতাৰ নিলাজ হাতৰ চেকা;

আন্ধাৰ নিশাৰ প্ৰভুৰ ঐশ্বৰ্য-চন্দুক বিশ্বাসী প্ৰহৰী
পোহৰত দুৰ্বল নিষ্পেষিত ঘৃণিত প্ৰভুভক্ত ঢেকুৰা
সকলোৱে সিহঁতক উপলুঙা কৰে;
এইখন পৃথিৱীত কি যে কূট চক্ৰান্ত!
এই দল খাবলৈ নোপোৱা কুকুৰ
ইহঁত নিম্নবংশ জাত।
কিন্তু আৰু এদল আছে
সেই দল কুকুৰে খাবলৈ পায়,
সিহঁত উচ্চ বংশজাত।
সেই দলৰ খাবলৈ পোৱাৰ সভ্যতাত
গঢ়ি উঠিছে
এই দলৰ খাবলৈ নোপোৱাৰ বৰ্বৰতা।
দুয়ো দলৰ নাম কুকুৰ ।।

# সিহঁত তেতিয়া জীৱ

কিন্ কিন্ বৰষুণৰ নীৰৱ নিশা
আৰু মৰা জোনৰ গাঢ় অন্ধকাৰ ।
ৰাস্তাৰ এমূৰে—
নৰ্দমাৰ দাঁতিৰ নিঃসঙ্গ বুঢ়া আহতৰ উলঙ্গ কায়।
নিস্তেজ শক্তিহীন শৰীৰৰ দুৰ্বল কঁপনিত
জীৱনৰ শেষ চিহ্ন বাকী থকা এখিলা পকা পাত সৰে ।
বতাহৰ শব্দ হয় ।
নিশাৰ গভীৰ নিশ্বাসত কমি অহা
হতাশাত ক্ষীণ হই অহা নিস্তব্ধ জীৱনৰ বুকুত
আঘাত কৰে খৰ্ খৰ্ খৰ্ ।
নীৰৱ নিস্পন্দ জীৱনৰ প্ৰেতাত্মাবিলাক সাৰ পাই উঠে।
পৃথিৱীৰ ইতিহাসত পিশাচৰ নৃত্যাভিনয়
পোহৰৰ মৃত্যু আৰু আন্ধাৰৰ জয়
যি মৰি পৃথিৱীক তৰাই
ক্ষুধাৰ ক্ষয় ৰোগে যাক তিল্ তিল্ কৈ খাই নিঃশেষ কৰি দিয়ে ।
শান্তিহাৰা জীয়া জীৱনৰ তাড়নাত মৰি
যি তন্দ্ৰাৰ অচেতন আবেশত অলপ জীয়ে
শ্মশানৰ নিৰ্জনতাৰ সিহঁতে পাতে
সিহঁত অভিশপ্ত মৰা কঙ্কালৰ বিকত নিশাৰ দৰে

ভয় লগা বিজয় উল্লাস

জীৱনৰ সঙ্গোপন ৰহস্যময় মহৎ উৎসৱ

পোহৰৰ সভ্যতাৰ বিৰুদ্ধে ভীষণ চক্ৰান্ত ।

শ্মশানৰ পোৰা নগ্নতাৰ হয় –

সিহঁতৰ জীৱনৰ সৰ্বশেষ কামনাৰ সিদ্ধি লাভ ।

সিহঁতৰ জীৱনৰ চিতাগ্নিৰ ক'লা পাপৰ ধোঁৱাই

মুকলি নীলা আকাশৰ কোমলতাক কৰে নিষ্ঠুৰ আঘাত ;

পৃথিৱীৰ বায়ু মণ্ডল কৰে বিষাক্ত

এইবোৰ যেন জীৱনৰ ব্যাধিগ্ৰস্ত ব্যৰ্থতাৰ নিৰ্জীৱ তাড়নাৰ

কালান্তক প্ৰতিহিংসা ।

পৃথিৱীৰ অধিদেৱতাৰ দয়াৰ দান

অনাদৰ অৱহেলা আৰু নিষ্পেষণ

সিহঁতৰ মূৰত যেন ফুল চন্দনৰ কোমল প্ৰলেপ

আৰু তাৰ কৃতজ্ঞতাত সিহঁতৰ চিৰ অৱনত মূৰ ।

পৃথিৱীত সিহঁতৰ অধিকাৰ

জীৱনৰ নিৰৰ্থক আৰ্তনাদ আৰু নিয়তিৰ কুটিল হাঁহি।

প্ৰৰোচনাৰ কুটিল চক্ৰান্তৰ

সিহঁত লীন হৈ যায় ।

সিহঁতৰ কামনা

সিহঁতৰ প্ৰাণৰ উশ্বাস লৈ

সিহঁতে এৰি যোৱা পৃথিৱীৰ

ভৱিষ্যতৰ ৰঙা সূৰ্য্যই সানিব জীৱনৰ কেঁচা তেজৰ ৰঙা বোল ।

নতুন পৃথিৱীত

বুঢ়া আঁহতৰ কুঁহি পাত ওলাব

নিয়ৰে মুকুতা সানিব

সিহঁত তেতিয়া জীৱ ।।

[ সাধন ঘোষৰ সৌজন্যত বুধীন বৰুৱাৰ পৰা পোৱা । ‘ভ্ৰমৰ’ ত প্ৰকাশিত। ]

# আন্ধাৰৰ হাহাকাৰ

হেমন্তৰ সেমেকা সন্ধিয়া
পশ্চিমৰ আকাশৰ এক প্ৰান্তৰত জ্বলা
শেহৰ পোহৰে চুমে
কোলাহল ধৰণীৰ মৌন অন্ধকাৰ।
শীতৰ পৰশ পাওঁ পাওঁ
পাত সৰা গছবোৰ
পৃথিৱীৰ ওপৰত থিয় হ'ই
হা-হতোস্মিৰ সুৰে আৰ্তনাদ কৰি
প্ৰকাশিছে অন্তৰৰ গভীৰ হতাশা ।
সিহঁতৰ হতস্তম্ভ জীৱনৰ কৰুণ ট্ৰেজেডি;
দুদিন পিছতে যেন মৃত্যুৰ কৰাল গ্ৰাসে ধৰিব আৱৰি।

আকাশৰ পূব প্ৰান্তৰত
কিবা এটা চাঞ্চল্যৰ মৃদুল স্পন্দন,
জীৱন-সৃষ্টিৰ এটা নতুন উল্লাস ।
নীলিম আকাশ
দূৰ-দূৰান্তৰ জিনি নীলা ৰং ঢলা ।
তাৰ মাজে মাজে
ইপিনে সিপিনে

এটুকুৰা দুটুকুৰা ছিগা-ভগা ক'লা ডাৱৰৰ
শক্তিহীন চাব।
অদূৰতে ডাৱৰৰ অলপ পিছতে
আঁৰ লই লই জ্বলে ৰূপালী জ্যোতিৰ শিখা-
জনহীন প্ৰান্তৰৰ
দেশহীন, মাটিহীন
শূন্যৰ কোলাত উঠা
নৱমীৰ নতুন জোনটো।
হাঁহি হাঁহি পাৰ ভাঙি ঢালি দিব খোজে তাৰ
জোনাকৰ ঢল।

তলৰ পৃথিৱী হয়
অলপ পোহৰ।
খাল, বিল,
নৈ, জান, জুৰি
ঘিণ লগা গোন্ধত অৎকাৰ
মহানগৰীৰ দাঁতিয়েদি বৈ যোৱা যত
ড্ৰেইন্ আৰু নৰ্দমাৰ জল।
খন্তেক উজলি উঠে
নিজ ৰূপ ঢাকি আন্ধাৰৰ আঁচলত
জিল্ জিল্ কৰি।

আকাশৰ মহোৎসৱ-

অকল জোনেই নহয়,

ৰাশি ৰাশি তৰাবৃন্দ

ৰাশি ৰাশি নক্ষত্ৰৰ আলোক-উৎস;

সজায় দীপালী যেন

সৰ্ব্বব্যাপ্ত মহাদিগন্তৰ

কক্ষে কক্ষে

উকি মাৰি মাৰি।

মই যাওঁ পৃথিৱীৰ মাটিৰ মানুহ

মাটিয়েদি খোজ কাঢ়ি কাঢ়ি

বাস্তৱৰ বিকৃত বিপদে ঢকা

মোৰ প্ৰতিকৃতি

সেই অন্ধকাৰ বাটটোত

অকলে অকলে ;

শান্তিহীন, শ্ৰান্তিহীন

মহাসমৰৰ দাবানলে পোৰা

পৃথিৱীৰ শ্মশানত

ভয় লগা স্পিৰিটৰ দৰে ।

শক্তিৰ কঁপনি উঠে

অন্তৰৰ আঁহে আঁহে,

বিদ্ৰোহ-অগনি জ্বলে চকুৰ শিখাত,

বিদগ্ধ বিধ্বস্ত স্তূপত মোৰ
নতুন সৃষ্টিৰ
প্ৰতিজ্ঞাৰ অটল বিশ্বাস থাপি;
ভাবৰ বুকুত
মুহূৰ্ত্তৰ ভিতৰতে গুৰি কৰি
লক্ষ লক্ষ শতাব্দীৰ so-called সভ্যতাৰ বিলাস-বৈভৱ ।

এবাৰ জোনটো ডাৱৰে ঢাকে ।
পৃথিৱীৰ বুভুক্ষিত হতভগা দলে
চেপি ৰখা হাই-উৰুমিৰ
নাকত লাগেহি মোৰ তপত নিশ্বাস
বিকৃত গোন্ধৰ কিবা নৱ আৱিষ্কাৰ !
সিহঁতৰ খকা খুন্দা লাগি যায়
আন্ধাৰৰ আঁৰালত গছৰ তলত
- কোনোবা মানৱৰ প্ৰসাদৰ
উচ্ছিষ্ট যচা প্ৰসাদৰ বাবে
দানৱৰ হিংস্ৰ তীব্ৰ ক্ষুধা !
মোৰ ভৱিষ্যৰ সমাজৰ সংস্কাৰ কৰা,
নতুন জগত গঢ়া
বিদ্ৰোহী কল্পনা যায় মিলি
সিহঁতৰ জৰাকীৰ্ণ কায়াৰ ছাঁয়াত।

হায়,

সৰু সৰু অশৃঙ্খল

মানুহৰ জীৱনেৰে সিহঁতো এজাক

নিষ্পেষিত, ৰুক্ষ, শুষ্ক অনাথৰ দল !

সিহঁতে হাঁহে

বিকৃত চিয়ঁৰ মাৰি

আন্ধাৰৰ শূন্যতাত

সিহঁতৰ বগা দাঁতবোৰ নিকটায়

তাৰ পিছত- অসম্ভৱ !

ধূলিৰ জোঁৱাৰ তুলি

মুঠি মুঠি জাৱৰৰ হোলি খেলি খেলি

প্রচণ্ড ধুমুহা তোলে

‘মাৰ কাট্ খা’ ৰ

ভয়ঙ্কৰ হুলস্থূল ।

এনেতে

জীৱনৰ অতিৰিক্ত মমতাৰ অন্ধতাত

জোনৰ পোহৰে সানে চেকা।

জোনটো ওলায়।

সিহঁত নিস্তব্ধ হই যায় !!

সিহঁতৰ আন্ধাৰ

হাঁহিৰ হুঙ্কাৰ

‘মাৰ কাট্ খা’ ৰ

নৃত্য-প্ৰহেলিকা?

সিহঁতৰ জীৱনৰ অধিকাৰ

আন্ধাৰৰ আসুৰিক দূৰ্বলতা,

নীচতা, দীনতা,

প্ৰেতাত্মাৰ গোপন অভিসন্ধি

তল পৰি যায় ।

ধৰণীৰ আনন্দৰ পোহৰত যেন

এইখন মৰা দানৱৰ সাৰশূন্য দেশ !

জোনৰ পোহৰে

সিহঁতৰ নিৰ্মম নগ্নতা ঢাকি

মাৰ যোৱা বাস্তৱৰ আন্ধাৰত তৰে

সৌন্দৰ্য্যৰ মৰীচিকাময় জিল্মিল্ চিকুণ সপোন।

আৰু মই?

বাস্তৱৰ ৰহস্যৰ আত্ম-বিস্মৃতিত পৰি

থাকোঁ চাই

সিহঁতৰ ক’লা ক’লা লেতেৰা জীৱনবোৰ

সিহঁতৰ আন্ধাৰৰ হাহাকাৰ

আৰু

জোনাকৰ পৰিহাস ।।

# ভাৰতীৰ মুক্তি স্বপ্ন

জীৱনৰ অন্ধ মমতাৰ

বিলাসী সপোন ল'ই

দিনে দিনে সংঘাতৰ নিষ্ঠুৰ আঘাত

কলঙ্কৰ কুলুষ চেকাৰে

অনিশ্চিত জীৱনৰ উশৃঙ্খল হাহাকাৰ লই

নিষ্ক্রিয় যাতনা সহি দূৰ্বলৰ দৰে

হে বীৰ হোৱা নাই নিৰ্জীৱ নিঃসাৰ

হোৱা নাই নিঃস্পন্দ নিস্প্ৰাণ।

কোন অতীতত মোৰ

জীৱনৰ শিখৰে শিখৰে উঠিছিল বিজয়ী পতাকা

লাগিছিল মুক্ত গৰিমাৰ

প্ৰভাতি উজ্জ্বল জ্যোতি শত তপনৰ

জ্বলিছিল দিগন্ত বিয়পি

কোন নন্দনৰ শ্যামল কঁপনি লাগি

ফুলিছিল কুঞ্জে কুঞ্জে শত শত পাৰিজাত

সু-উচ্চ হিমাদ্ৰী আচলে কোন

চুমিছিল নীল আকাশৰ

উদাৰ প্ৰান্তৰ

কোন ব্ৰহ্ম জ্যোতি পাই ধন্য হ'ল

তীৰ্থ তল

পূন্যতোৱা ফল্গুৰ তীৰত ।
দধিচিৰ বুকুৰ হাড়েৰে কত
যাচিছিল ত্যাগৰ মহিমা
কোন ঋষি তপস্বীয়ে
মন্ত্রপূত যোগ সাধনাৰে
বান্ধিছিল আদৰ্শৰ
সত্য-শিৱ-সুন্দৰৰ সুবৰ্ণ মন্দিৰ ।
জ্ঞানৰ আলোকে কোনে
কৰিছিল দীপ্ত তপোবন !
হে সাধক আজি সেই অতীতৰ স্বপ্ন স্মৃতি অন্ধতাত মই
হোৱা নাই সপোন পাগল ।
অতীতৰ সেই স্বৰ্গপুৰ
আজি আৰু জীৱনৰ হাঁহি ৰঙা মধু কলৰোলে
নকৰে আকুল ।
পৃথিৱীৰ বুৰঞ্জীয়ে নিদিয়ে চিনাকি
শতাব্দীৰ অন্ধকাৰ ফালি
নোৱাৰিব কৰিব প্ৰমাণ
লুপ্ত সেই ভাৰতীৰ গৌৰৱ মহান ।
মানুহৰ অকণি অকণি
জীৱনৰ সমুখত আজি

নাই সেই কল্পনাৰ ৰঙীন ফাকুৱা
হে বীৰ নুদুষিবা মোক
নকৰিবা মিছাতে লাঞ্চনা
অন্তৰৰ উত্তপ্ত গহ্বৰ জ্বলি
পুৰি পুৰি শেষ শিখা মোৰ
জীৱনৰ নুমুৱা প্ৰদীপ
জ্বলিছে আকউ আজি
শতাব্দীৰ মুক্তি আহবানত।
মোৰ মুক-চেতনাৰ
যত ভগ্ন অভিপ্সাৰ মৰহা পদুম
জ্বলিছে চকুত আজি অগ্নিফুল হই ।
সমুখত দিশে দিশে
সংগ্ৰামৰ উৰিছে যি বিষাক্ত নিশ্বাস,
যন্ত্ৰময় সভ্যতাৰ মৃত্যুমুখী ক্ষণিক উল্লাস
শতিকাৰ শঙ্কাকুল
কামনাৰ তীব্ৰ বিস্ফোৰণ
দানবৰ মিছা বিভীষিক
একো নাই নাই কৰা ভয়
শুনাহে মুক্তিৰ বীৰ
যিদিনা মুক্তিৰ ধ্বজা
ভাৰতীৰ প্ৰতি সন্তানৰ

উৰুৱাব জীৱনৰ সু-উচ্ছ শিৰত
সিদিনা নাচিব মোৰ মৃত্যুঞ্জয়ী অনন্ত জীৱন
সেই দিন আজি মোৰ চকুৰ আগত
হতাশাত ম্রিয়মান
দুখময় অতীত স্বপ্নৰ
কোন সীমান্তৰ চেঁচা বতাহৰ
অসহন নির্য্যাতন
মোহাৰি পেলাব মোৰ
সোণালী আশা !
কোন বায়ু মণ্ডলৰ উদভ্রান্ত
বলিয়া বতাহে মোৰ
উৰুৱালে আয়ুসৰ চুলি
বুভুক্ষাৰ জ্বলন্ত শিখাই
দিনে দিনে জীৱনক কৰিলে জুৰুলা
বাকী ৰাখি
অস্থি চর্ম
মানুহৰ কঙ্কাল প্রেতাত্মা ।
হে বীৰ নকৰিবা দুখ,
নালাগে শুনিব আজি
ক্লেদময় জীৱনৰ সেই দাসত্বৰ কলা ইতিহাস ।
আজি মোৰ মুক্ত হ’ল ৰুদ্ধ পিঞ্জৰাৰ

লোহাৰ দুৱাৰ ।

আজি মোৰ

অন্তৰত প্ৰণয়ৰ অনন্ত নাচোন

নতুন দৃষ্টিত মোৰ

সত্য সাম্য মৈত্ৰী সভ্যতাৰ

নতুন সপোন

প্ৰাণত অদম্য শক্তি

কত উল্কাপাত

কত চাইক্লোন

অন্তৰৰ কত আলো-শিখা

বিপ্লৱৰ গলিত জ্বলন্ত লাভা

মুক্ত হওঁ হওঁ ।

ছাই হই যাব এই পুৰণি পৃথিৱী

নতুন সৃষ্টিত হ'ব নতুন সূচনা।

হে বীৰ নহবা বিব্ৰত

পৰিবৰ্তনৰ নতুন তালত নাচি

হাঁহি আছে আদৰ্শৰ উদয়াচলত

সৃষ্টিকাৰী অন্তৰৰ ধ্যানৰত

চিন্তাৰত সৰ্বজিত মহাশক্তি মোৰ

অহিংসাৰ জোৰ লই মৰমৰ সুৱদি বাণীৰে

জগতৰ মুক্তিকামী দূত

আগত গৈছে সৌৱা

যোৱা বীৰ আগবাঢ়ি

মোৰ তপস্যাৰ মহা সাধনৰ ধন

যুগে যুগে তুমি হবা

বুকুৰ সন্তান

হে হিন্দু, হে মুছলমান মুক্ত ভাৰতীৰ

কৰি উচ্চ শিৰ

মুক্তিৰ আলোক ব্ৰতী

বিশ্বজিত সত্যৰ পূজাৰী ।।

[ সাধন ঘোষৰ সৌজন্যত বুধিন বৰুৱাৰ পৰা পোৱা । পছোৱা ১ম বছৰ ৭ম সংখ্যা ]

# আজি আমাৰ বিহু

আজি মোৰ অসমৰ ঘৰে ঘৰে বিহু ।
প্ৰকৃতিত বসন্তৰ মাদকতা
ৰূপ ৰস গন্ধ মাধুৰীমাৰ প্ৰাচুৰ্য্য।
বিবসনা সৌন্দৰ্য্যত সৃষ্টিৰ আদিম কামুকতা ।
দলে দলে মানুহৰ ভীৰ !
জীৱনৰ সোঁতত বুৰি যেন মৃত্যুত আজি মৰি যাব ।
ঢোল খোল তাল টকা মৃদঙ্গ আৰু পেঁপাৰ ৰোল
নৃত্যৰত জীৱনৰ ধুনীয়া ভঙ্গিমা
মানুহৰ মিঠা মিঠা মাত
অন্তৰৰ অনাবিল উলাহৰ দীঘলীয়া উকি !
—মৃত্যুৰ অপৰিহাৰ্য ৰূপটোকো ৰূপান্তৰ কৰি দিয়া
মানুহৰ কি নিৰ্ভীক গৌৰৱ ।
বিহুৰ উল্লাসত আমি যেন অমৰৰ প্ৰতীক
মৰণৰ সিপাৰৰ পদধ্বনিৰ লগত
আমাৰ এই ফেৰা পতা সমতাল
পদাতিক সৈনিকৰ যেন
বুট ৰাইফল আৰু সঙ্গীনেৰে
মৃত্যুক বিচাৰি ফুৰা সংঘবদ্ধ বিজয় কুচ-কাৱাজ
জীৱনৰ ব্যস্ততাত আজি মৰণৰ অস্তিত্বও মিছা ।

যন্ত্ৰৰ যাতনাত

প্ৰাণ নাইকিয়া পৃথিৱীৰ ঘৰে ঘৰে আজি

কেৱল মৰি যোৱাৰ

কেৱল শেষ হৈ যোৱাৰ

আশঙ্কাতে কঁপা জীয়া মানুহৰ কঙ্কাল

আৰু এই আনন্দৰ আলিঙ্গন ।

ৰুটি আৰু ক্ষুধা ।

নিয়তিৰ পৰিহাস্য আৰু মানুহৰ কান্দোন

জীৱন আৰু মৰণৰ

অবিশ্ৰান্ত সংগ্ৰামৰ সৰ্ব্ব গ্ৰাসী বিকৃত তাড়না

আৰু আমাৰ এই

আনন্দ আহলাদৰ নৃত্য নিপুণতা

মোক লাগে এই আনন্দ ।

মোক লাগে এই গীতৰ সুৰে সুৰে

নাচোনৰ চেৱে চেৱে

এক হৈ যোৱা বিশ্ব জনতাৰ প্ৰাণৰ বান্ধনি !

মোক লাগে এই

জীয়া জীৱনৰ হাঁহি উলাহৰ বাহুৰ আলিঙ্গন

পৃথিৱীৰ অনৈক্যৰ বিৰুদ্ধে

বিংশ শতাব্দীৰ মানুহৰ

বিপুল ঐক্যৰ অৰ্থ পূৰ্ণ সমাগম ।

সভ্যতাৰ নতুন ৰূপ

সংস্কৃতিৰ উন্নত নতুন অপৰূপ পৰিচয় ।

যুগৰ অভিসন্ধি অভিশাপ আৰু প্ৰৰোচনাৰ বিৰূদ্ধে

আমাৰ অন্তৰ্নিৰ্হিত নিস্বাৰ্থ ভ্ৰাতৃত্বৰ ভীষণ সংগ্ৰাম।

ধ্বংসৰ বিৰুদ্ধে

প্ৰাণৰ সৌৰ্য্য-বীৰ্য্য

আৰু সৃষ্টি ক্ষমতা !

অনাগত ভবিষ্যতৰ স্থিৰ পৰিকল্পনা ।

আজি ইকি ৰঙৰ উছৱ ?

মানুহৰ ইকি নতুন সত্য শিৱ সুন্দৰৰ পূজা ?

আনানূৰ প্ৰতি ইকি অন্তৰৰ অসীম কৰুণা !

- মৰণৰ যন্ত্ৰণাত যেন আনন্দৰ বাবেই

আনন্দ উছৱ উলাহ

আৰু মানুহৰ আত্ম আহুতিৰ এই

আচৰিত যজ্ঞ ।

আজি আমাৰ বিহু !

জয়ন্তী ৭ম বছৰ, ৬ষ্ঠ সংখ্যা

## মৰমৰ ধাৰ

পৃথিৱীৰ অন্ধকাৰে আবৰি আনিব ধৰা
জীৱনৰো শেষ হব গান
সুৰৰ কঁপনি বোৰে ৰচিব সপোন মাথোঁ
মিছাকৈয়ে কৰি অভিমান !
মইতো নাজানো সোণ তুমি আহি জীৱনৰ
এই হায় গোপন পৰত
চকুৰ ঠাৰেৰে মোৰ কাঢ়ি নিবা প্ৰাণ বুলি
এইদৰে মাথো অবাবত ।
সুগভীৰ সাগৰৰ নীলিম সপোন সনা
কোন খনি সৰগৰ পৰা
আহি মোৰ সমূখত হাঁহি হাঁহি ওলালহি
জীৱনৰ হেৰা শুকতৰা !
মৃত্যুৰ কুহক সানি সপোন ৰচিছো মই
সমুখত ছবিটি তোমাৰ
দুদিনীয়া সংসাৰত কিহেৰে সুজিম সোণ
তুমি দিয়া মৰমৰ ধাৰ !
ব্যথাহত জীৱনৰ ৰাঙলী শোণিত আনি
আঁজলিৰে দিলে ওপোচাই
হবনে হবনে বাৰু, বুজিবনে প্ৰাণ মোৰ

আকাশৰ শুৱনী তৰাই !

হয়তো বুজিব পাৰে, নহলে ধূলিত পৰি

ৰঙাতেজে কান্দিব আশাত

মৰমৰ ধাৰ মোৰ চিৰ দিন ধাৰ হৈয়ে

ৰই যাব এই বসুধাত ।।

# প্ৰকাশ

জীৱনৰ বিলাস ডাৱৰে ঢকা আজিৰ এই পুৱাৰ আকাশ
ৰঙালী কৰিলে সোণ ; তোমাৰেই দুচকুৰ প্ৰণয় প্ৰকাশ !
অনন্ত কপনি যিটি মাৰ যায় জীৱনৰ আজিৰ এই ৰাতিৰ খেলাত
কিৰণে কিৰণে নাচে ধৰণীৰ দুদিনীয়া ভালপোৱা
মোহৰ মায়াত !
তোমাক নাজানো মই - নিচিনো কদাপি সোণ
এটি প্ৰণয়ৰ মোহন পুতলি ।
কামনাৰ শতবহ্নি সহজ প্ৰভাৱে চুই ভাল জানো
পাম হায় হৃদয় আকুলি ?
নাচিছে প্ৰাণৰ জ্যোতি অনাবিল প্ৰণয়েৰে হয়তোবা তাতেই আকুল ;
মনৰ পখীটি মোৰ কৰি জানো পাব পাৰে
সৃষ্টিৰ সাগৰ দুকুল !
বিনাশি সৌন্দৰ্য্য এই দীপ্ত হাবিলাস !
যোৱা আজি প্ৰভাত শেষত !
পুৱাৰ পোহৰে চুমে নয়নৰ নীলমনি
ধৰণীৰ ধূলিটি উৰাই
আৰতি নকৰোঁ আজি, নাযাচোঁ ফুলৰ মালা
–নিৰূপমা তোমাক দুনাই ।

এমোকোৰা হাঁহি লই শুৱনি মূখত
ৰাঙলী বহাগী নাচে কাৰ পদূলিত
উৰুঙা পঁজাত বহি উৰুকাৰ নিশা
অকলশৰীয়া মই এই দূৰণিত !
নাই দেখা বিহু নাচ নাচনী হঁতৰ
শুনা নাই মউসনা বনগীত ফাঁকি
উৰণীয়া কল্পনাৰ সপোন ৰেখাৰে
সপোন মনতে মাথো ছবি খনি আঁকি
উলাহতে হাঁহো মই আপোন পাহৰি
আহিব বহাগী বুলি, নিবহি আদৰি
তাৰে এটি ৰেণু কণা চেনেহেৰে আনি
বতাহৰ বোকোচাত পঠিয়ালো বান্ধি ।।

কলিকতা ৯ এপ্ৰিল ১৯৪৬

# চেনেহৰ পুতু

আগৰ বাৰ বিহুতে শিপিনে আছিলে
তাতৰে পাততে বহি
ফুলামকৈ গামোছাত চেনাইৰে ছবিটি
বাচিলৈ কাটিলে দহি ।
এইবাৰ বিহুৰে উৰুকা উৰুঙা
বেথাৰো উপৰি বেথা
উকা গামোচাৰে বিহুটি পাতিলোঁ
কিনো কম দুখৰে কথা ।
তথাপি আপোন মোৰ বহাগৰ বিহুটি
উলাহে নধৰে হিয়া
সেয়েহে যাচিলোঁ চেনেহৰ চুমাটি
লবিনে সাদৰে দিয়া ??

তোমাৰ

সোন

১ বহাগ, ১৮৪৬ শক

# এটিফুল ।। কথিকা

বসন্তৰ শুভাগমন । শীতৰ চেঁচাত পেপুৱা লাগি লঠঙা হৈ থকা গছঠ -গছনিবিলাক সজীৱ হৈ উঠিল— সিহঁতৰ গাৰ ৰং বদলি হৈ গ'ল বা-ৰিব মলয়াৰ পৰশ পাই । প্ৰকৃতিত এক নতুন উচ্ছাস জাগি উঠিল । বিৰহী প্ৰকৃতিৰ অন্তৰৰ অনুভূতিবিলাক সজীৱ হৈ উঠিল বসন্তৰ স্নিগ্ধ পৰশত ।

বসন্তৰ আগমনিলৈ অপেক্ষা কৰি নিৰাশাৰ হুমুনিয়া পেলাই শুকাই যোৱা গোলাপজোপাত এটি হাঁহিৰ ৰেখা বিৰিঙি উঠিল - বসন্তৰ আগমনিত চা-ৰিওদিশে ৰূপৰাশি বিস্তাৰ কৰিবলৈ এয়েই সুযোগ তাৰ । বসন্তৰ প্ৰতি কৃতজ্ঞতাত তাৰ মূৰ দোঁ খাই গল ।

গোলাপজোপা শুৱনী কৰি ফুটি উঠিল এটি কলি – সময়ত তাৰ নিজ প্ৰতিভাৰে পূৰ্ণতা আৰ্জন কৰি অমিয়ৰাশিলৈ পৰিণতি লভিলে পূৰ্ণ সৌষ্ঠ-বৰ এটি ফুলত । এটি মাত্ৰ ফুল - দেখাত সামান্য হলেও সি প্ৰকৃতিৰেই সৃষ্টি ।

ফুল আৰু মানুহ । এটিয়ে মনৰ ভাবৰাশি ফুটাই ক'ব পাৰে আৰু আনটিৰ ভাবৰাশি অব্যক্ত - তাক প্ৰকাশ কৰে নিজ ভাষাত । দুয়োটি দুয়োটিৰে আপোন । সজীৱ আৰু নিৰ্জীৱ বাস্তৱৰ মাজত ইমান গাঢ় সম্বন্ধ - মানুহৰ কিমান আদৰৰ বস্তু ফুল ।

ফুলনিৰ মাজত ফুলি উঠে ফুলটি - তাৰ ৰূপ-ৰাজিৰ গৌৰৱত মত্ত হৈ । কিমান যত্নেৰে সি তাৰ ৰূপৰ প্ৰতিভা প্ৰকাশ কৰিবলৈ সক্ষম হৈছে - ভাবি কেতিয়াবা তাৰ কৃতকাৰ্য্যতাৰ বাবে পুলকত মন-প্ৰাণ

নাচি উঠে । মানুহৰ কত বাধা-বিঘিনী তাৰ কৰ্ত্তব্যপথত । ফুলৰো একে কথাই । তাৰো পূৰ্ণ প্ৰকাশৰ পথ কণ্টকময় । সেয়েহে কলিটিয়ে গৌৰৱত মত্ত হৈ যেতিয়া জীৱন পথৰ দকা চাকনৈয়া অতিক্ৰম কৰি এপৰিয়া হৈ পৰিণতি লাভ কৰে এটি ফুলত ।

প্ৰকৃতিৰ দান এটি ফুল কিমান স্নিগ্ধ তাৰ পৰশ – কিমান পবিত্ৰ । সুন্দৰৰ দান । পূৰ্ণপয়োভৰেৰে তাৰ সৌৰভ বিলাক প্ৰকৃতিৰ কোলাৰ মানুহ-দুনুহক কিমান আদৰ কৰে । তথাপিও মানুহ স্বাৰ্থপৰ-মানুহে

তাক আদৰ কৰে সুগন্ধৰ বিনিময়ত । কিমান স্বাৰ্থপৰ মানুহবিলাক । কিন্তু ফুলৰোতো এটি হেঁপাহ আছে তাৰো ৰূপ ৰাশিৰ আদৰ কৰিবলৈ কাৰোবাক বিচাৰে – তেনেহ'লেনো মানুহৰ কি ভুল - কিয়বা স্বাৰ্থপৰ হব ।

কিমান কোমল ফুল - আৰু তাৰ হৃদয়খনি আৰু কোমল। ফুলনি মাজত ফুলি থাকে ৰূপকুঁৱৰীৰ প্ৰতিমূৰ্ত্তি প্ৰতীক । কোনোবাজনক তাৰ স্নেহ প্ৰীতি জনাবলৈ । তাৰ ক্ষণস্থায়ী সৌৰভৰ মাধুৰিমা বিলাবলৈ পূৰ্ণতাৰ আদৰ কৰিবলৈ লাগে বন্ধু - সেয়েহে সি বিচাৰে কোনোবা পূজাৰীক । তাৰ অব্যক্ত বেদনাৰ ভাষা বুজিব পৰা, তাৰ সুখ দুখৰ ভাগ লবলৈ লাগে তেনে এজন বন্ধু— যাৰ সহায়ত সি বিচাৰে সুদূৰ নীলিমাৰ আঁৰত লুকাই থকা চিৰসত্য চিৰসুন্দৰৰ কোমল হৃদয়খনি পৰশ কৰিবলৈ । ফুলপাহি ব্যাকুল পূজাৰী বিচাৰি । তাৰ বেদনাৰ অৰ্ঘ্য জনাবলৈ - তাৰ কামনা-বাসনাৰ তৰ্পণৰ আঁজলি যাচিবলৈ । পূজাৰীৰ সহযোগত চিৰ সুন্দৰৰ পূজা । চিৰসুন্দৰৰ লগত তাৰ মিলন - তাতেই তৃপ্তি - তাতেই তাৰ পৰিণতি ।

[ বিহগী কবি শ্ৰীৰঘুনাথ চৌধুৰীৰ সৌজন্যত পোৱা । বি বৰুৱা কলেজ আলোচনী ষষ্ঠ সংখ্যাত প্ৰকাশিত ]

# সমাপ্ত